*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...*

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২৮ সংখ্যা, ২৯ আহাৰ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.28 Date Of Publication - 14 July 2024 Rs.10.00/-

## বজাৰত জুইঃ আলু-পিঁয়াজসহ শাক-পাচলিৰ দাইল, চাউল-ঘেঁহুৰ প্ৰায় ১০ শতাংশ দাম বাঢ়িল



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাকৃতিক দুৰ্যোগৰ ফলত খাদ্য সামগ্ৰী, শাক-পাচলিৰ উৎপাদন হ্ৰাস পোৱাত আকাশলংঘী হাৰত নিতৌ ঊৰ্ধ্বমুখী হৈ আছে দাম বৃদ্ধিৰ গ্ৰাফ। সৰ্বসাধাৰণ জনতাৰ মূৰত পৰা দাম বৃদ্ধিৰ মাধমাৰ বাস্তৱ ছবিখন স্পষ্ট হ'ল কেন্দ্ৰীয় চৰকাৰৰ তথ্যতে। কেন্দ্ৰীয় পৰিসংখ্যা আৰু কৰ্মসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্যালয়ে শেহতীয়াকৈ প্ৰকাশ কৰা তথ্য অনুসৰি যোৱা জুন মাহত দেশৰ খুচুৰা মুদ্ৰাস্ফীতিৰ হাৰ হৈছে ৫.০৮ শতাংশ। অৰ্থাৎ খুচুৰা বজাৰত সামগ্ৰিক দাম ৫.০৮ শতাংশলৈ বৃদ্ধি হৈছে। যিটো বিগত ৫ মাহৰ ভিতৰত সৰ্বাধিক। লক্ষণীয়ভাৱে যোৱা মে' মাহত এই হাৰ আছিল ৪.৭৫ শতাংশ। কিন্তু এটা মাহৰ ব্যৱধানতে খুচুৰা মুদ্ৰাস্ফীতি তথা খুচুৰা বজাৰত সামগ্ৰিক দাম ৫.০৮ শতাংশ বৃদ্ধি হোৱাৰ লগে লগে খাটিখোৱা সৰ্বসাধাৰণ জনতাৰ অৱস্থা কি হ'ব পাৰে, সেয়া সহজে অনুমেয়। যোৱা জুন মাহত কেৱল খাদ্যৰ মুদ্ৰাস্ফীতিয়েই মে'ৰ ৮.৬৯ শতাংশৰ পৰা ৯.৫৫ শতাংশলৈ বৃদ্ধি হৈছে। এক কথাত ক'বলৈ গ'লে যোৱা মাহত সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজত উদ্বেগ সৃষ্টি কৰি খাদ্য সামগ্ৰীৰ দাম বাঢ়িছে ৯.৫৫ শতাংশলৈ। এইহাৰ বিগত বৰ্ষৰ জুন মাহত আছিল মাত্ৰ ৪.৫৫ শতাংশহে। প্ৰধানতঃ আলু, পিঁয়াজ, বিলাহী, চাউল, ঘেঁহু, দাইল আদিৰ দৰে নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ঊৰ্ধ্বমুখী দামৰ বাবেই খুচুৰা বজাৰত সামগ্ৰিক দাম বৃদ্ধি পাই গৈ আছে। মে' মাহত আলু, পিঁয়াজ আৰু বিলাহীকে ধৰি শাক-পাচলি দাম বৃদ্ধিৰ হাৰ আছিল ২৭.৩৩ শতাংশ। পিছে এটা মাহৰ ব্যৱধানতে এই হাৰ জুনত ২৯.৩২ শতাংশলৈ বাঢ়িছে। সেইদৰে, জুন মাহত দাইলৰ দাম ১৬.০৭ শতাংশ, চাউল, ঘেঁহৰ ৮.৭৫ শতাংশ আৰু কাপোৰ-জোতা-চেণ্ডেলৰ ২.৭৩ শতাংশ পৰ্যন্ত বৃদ্ধি হৈছে। লক্ষণীয়ভাৱে, খুচুৰা মুদ্ৰাস্ফীতি তথা দাম বৃদ্ধিৰ এই হাৰ নগৰাঞ্চলতকৈ গ্ৰামাঞ্চলত অধিক। যোৱা মে' মাহৰ ৫.৩৪ শতাংশৰ বিপৰীতে জুন মাহত গ্ৰামাঞ্চলত খুচুৰা দাম বৃদ্ধিৰ হাৰ হৈছেগৈ ৫.৬৭ শতাংশ। নগৰাঞ্চলত মে' মাহৰ ৪.২১ শতাংশৰ বিপৰীতে জুন মাহত এই হাৰ হ'ল ৪.৩৯ শতাংশ। খুচুৰা বজাৰত প্ৰধানতঃ আলু-পিঁয়াজৰ দাম বৃদ্ধিয়ে সৰ্বসাধাৰণক জলাকলা খুৱাইছে। কিয়নো, সৰ্বসাধাৰণে পাকঘৰত ব্যৱহাৰ কৰা মূল পাচলি দুবিধেই হ'ল আলু আৰু পিঁয়াজ। বজাৰত দাম বৃদ্ধিৰ জুইৰ দহনে সাধাৰণ ৰোজগাৰৰ মানুহক যে একপ্ৰকাৰ পিষ্ট কৰি পেলাইছে, সেই কথাই কাৰ্যতঃ পুনৰ প্ৰতীয়মান কৰিলে কেন্দ্ৰীয়

(দহ পৃষ্ঠাত চাওক)

## সাত ৰাজ্যৰ ১৩ বিধানসভা সমষ্টিৰ দুখন আসনতে ক্ষান্ত বিজেপি

ৰঙিলী বাৰ্ত্তাসেৱা- সাত ৰাজ্যৰ ১৩ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰত্যাশিত ফলাফল লাভ নকৰিলে বিজেপি তথা শাসকীয় এনডিএই। সদ্য ঘোষিত সাত ৰাজ্যৰ ১৩ বিধানসভা সমষ্টিৰ ১০খন আসনতেই বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈ কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, আপ, ডিএমকেসহ ইণ্ডিজোঁটৰ অংশীদাৰ দলসমূহে। বিহাৰৰ ৰূপাউলি বিধানসভা সমষ্টিত বিজয়ী হৈছে নিৰ্দলীয় প্ৰাৰ্থী। ঘোষিত ফলাফল অনুসৰি কংগ্ৰেছ-তৃণমূল কংগ্ৰেছে চাৰিটাকৈ, বিজেপিয়ে দুটা, আপ-ডিএমকেই এটাকৈ আৰু নিৰ্দলীয়ই এটা বিধানসভা সমষ্টিত জয়ী হৈছে। উল্লেখ্য যে লোকসভা নিৰ্বাচনৰ পাছতে সাত ৰাজ্য ক্ৰমে পঞ্জাৱ, তামিলনাডু, পশ্চিমবংগ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, মধ্যপ্ৰদেশ আৰু বিহাৰৰ ১৩টা বিধানসভা সমষ্টিত

(দহ পৃষ্ঠাত চাওক)

## আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পলৈ লক্ষ্য কৰি দুৰ্বৃত্তৰ গুলীচালনা



ৰঙিলী বাৰ্ত্তাসেৱা- কথমপি প্ৰাণ ৰক্ষা প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ। পেনচিলভেনিয়াত নিৰ্বাচনী সমাৰেশৰ সময়ত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পলৈ লক্ষ্য কৰি দুৰ্বৃত্তৰ গুলীচালনা। এই গুলীচালনাৰ ঘটনাত আঘাতপ্ৰাপ্ত হয় আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা ৰিপাব্লিকান দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্প। দুৰ্বৃত্তই চলোৱা গুলীয়ে ট্ৰাম্পৰ সোঁ কাণত আঘাত কৰে। গুলীৰ আঘাতত ঠাইতে ঢলি পৰে প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প। লগে লগে তেওঁৰ সুৰক্ষা কৰ্মীয়ে ৰাষ্ট্ৰপতিগৰাকীক হাস্পতাললৈ

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

## বানপানী বছৰে বছৰে নিৰৰে চকুলো নিগৰে

দেৱাশীষ গোস্বামী



প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ আমাৰ উত্তৰ পূৰ্বাঞ্চল। এই উত্তৰ পূৰ্বাঞ্চলৰে এখন ৰাজ্য অসম। প্ৰধানতঃ অসম এখন নদী মাতৃক ৰাজ্য। ব্ৰহ্মপুত্ৰ, বৰাক আৰু বিভিন্ন নদী উপনদীৰে আমাৰ অতি আপোন অসমখন সমৃদ্ধিশালী। বৰাক, ব্ৰহ্মপুত্ৰ আমাৰ গৌৰৱ। পৃথিৱীৰ সৰ্ববৃহৎ নদী সমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ স্থান নৱম আৰু দীৰ্ঘতম হিচাপে পঞ্চদশ স্থানত। প্ৰায় ২৯০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ এছিয়াৰ ভিতৰতে অন্যতম দীঘল নদী আৰু ভাৰতৰ একমাত্ৰ পুৰুষ নদী। ভাৰতৰ উত্তৰ দিশত

(দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে ৰাছিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে সন্মানিত কৰে । দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধিৰ ক্ষেত্ৰত ব্যতিক্ৰমী সেৱা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভলাদিমিৰ পুটিনে আনুষ্ঠানিকভাৱে 'অৰ্ডাৰ অৱ ছেইন্ট এণ্ড্ৰিউ দ্য এপ'ষ্টল'(Order of St. Andrew the Apostle) বঁটা প্ৰদান কৰে। দেশখনত আয়োজিত এক অনুষ্ঠানত এই বঁটা লাভ কৰাৰ পিচত ছচিয়েল মিডিয়াত এটা পোষ্ট কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই তথ্য সদৰী কৰে। তেওঁ 'অৰ্ডাৰ অৱ চেণ্ট এণ্ড্ৰিউ দ্য এপ'ষ্টল' লাভ কৰি সন্মানিত বুলি উল্লেখ কৰি এই বঁটা প্ৰদান কৰাৰ বাবে ৰাছিয়া চৰকাৰক ধন্যবাদ জনায়। তেওঁ লগতে ১৪০ কোটি ভাৰতীয়ৰ নামত এই বঁটা উৎসৰ্গা কৰে । 'অৰ্ডাৰ অৱ চেণ্ট এণ্ড্ৰিউ দ্য এপ'ষ্টল' হৈছে ৰাছিয়াৰ আটাইতকৈ সন্মানীয় অসামৰিক সন্মান আৰু ২০১৯ চনত ৰাছিয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই সন্মানেৰে সন্মানিত কৰাৰ কথা ঘোষণা কৰিছিল। ৰাছিয়া আৰু ভাৰতৰ মাজত বিশেষ সুবিধাপ্ৰাপ্ত কৌশলগত অংশীদাৰিত্ব গঢ়ি তোলা আৰু দুয়োখন দেশৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশেষ অৱদানক এই বঁটাৰে স্বীকৃতি দিয়া হৈছে ।

# প্ৰতি বছৰে ২৫ জুনত সংবিধান হত্যা দিৱস পালনৰ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিকভাৱে ২৫ জুনৰ দিনটোক সংবিধান হত্যা দিৱস হিচাপে ঘোষণা কৰিলে। ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাত ক্ষমতাৰ ব্যাপক অপব্যৱহাৰৰ বিৰুদ্ধে যিসকলে যুঁজ দিছিল আৰু উৎপীড়নৰ বলি হৈছিল, তেওঁলোককে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্য কেন্দ্ৰীয় চৰকাৰে ২৫ জুন তাৰিখটোক 'সংবিধান হত্যা দিৱস' হিচাপে ঘোষণা কৰিছে । কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এক ৰাজপত্ৰিত অধিসূচনাত এই ঘোষণা কৰে। অধিসূচনাত উল্লেখ কৰা হয়- "১৯৭৫ চনৰ ২৫ জুনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল । ইয়াৰ পিচত তদানীন্তন চৰকাৰে ক্ষমতাৰ ব্যাপক অপব্যৱহাৰ কৰিছিল আৰু ভাৰতীয়সকল অত্যাচাৰ আৰু উৎপীড়নৰ সন্মুখীন হৈছিল"। জাননীখনত লগতে লিখা হৈছে, "আনহাতে, ভাৰতৰ (দহ পৃষ্ঠাত চাওক)

# চেম্পিয়নছ ট্ৰফীৰ বাবে পাকিস্তান ভ্ৰমণ নকৰিবও পাৰে ভাৰতে




ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৫ চনৰ চেম্পিয়নছ ট্ৰফীৰ বাবে পাকিস্তানলৈ নাযায় ভাৰতীয় ক্ৰিকেট দল। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ উচ্চস্তৰীয় সূত্ৰে জানিব পৰা অনুসৰি ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত পাকিস্তানত অনুষ্ঠিত হ'বলগীয়া চেম্পিয়নছ ট্ৰফীৰ মেচ খেলাৰ বাবে পাকিস্তান ভ্ৰমণ নকৰে ভাৰতীয় জাতীয় ক্ৰিকেট দলে। পাকিস্তান আৰু ভাৰতৰ মেচসমূহ নিৰপেক্ষ স্থানত আয়োজন কৰিবলৈ বি চি চি আয়ে ইতিমধ্যে আই চি চিৰ লগত আলোচনা কৰা বুলি জানিব পৰা গৈছে। ডুবাই আৰু শ্ৰীলংকাত ভাৰত-পাকিস্তানৰ মেচ আয়োজন কৰিবলৈ আই চি চিক অনুৰোধ জনাব বি চি চি আয়ে। এই দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ভাৰতীয় ক্ৰিকেট দলক পাকিস্তানলৈ পঠিওৱাৰ সম্ভাৱনা নাই। ২০২৫ চনৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ৯ মাৰ্চলৈ পাকিস্তানত অনুষ্ঠিত হ'ব আই চি চি চেম্পিয়নছ ট্ৰফী। ২০০৮ চনৰ এছিয়া কাপৰ পিচত দুয়োখন দেশৰ মাজত উত্তেজনাপূৰ্ণ সম্পৰ্কৰ বাবে ভাৰতে পাকিস্তানত কোনো ক্ৰিকেট প্ৰতিযোগিতা খেলা নাই। ২০১২ চনৰ ডিচেম্বৰৰ পৰা ২০১৩ চনৰ জানুৱাৰীলৈকে ভাৰতত অনুষ্ঠিত হোৱা দ্বিপাক্ষিক শৃংখলাটো দুয়োখন দেশৰ মাজত অন্তিম দ্বিপাক্ষিক শৃংখলা হিচাপে (দহ পৃষ্ঠাত চাওক)

# সত্ৰাধিকাৰ ভৱানন্দ দেৱ গোস্বামীৰ প্ৰয়ানত অসম সত্ৰ মহাসভাৰ শোক



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলীৰ ঐতিহাসিক বৰএলেঙী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী ভৱানন্দ দেৱ গোস্বামীৰ (ভৱ গোঁসাই) ১০ জুলাইৰ পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত বৈকুণ্ঠী খবৰে মৰ্মাহত কৰিছে অসম সত্ৰ মহাসভাক। মহাসভাৰ প্ৰচাৰ সম্পাদক ঈশ্বৰ কান্ত দেৱ মহন্তই বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত প্ৰকাশ যে ১৯৪২ চনৰ আগষ্ট মাহত ঐতিহাসিক বৰ এলেঙী সত্ৰত জন্ম গ্ৰহণ কৰা প্ৰভু জনাই ৮৫ বছৰ বয়সত নৰনাট সামৰে। অসমৰ ধৰ্ম, সমাজ, সংস্কৃতিলৈ সত্ৰাধিকাৰ গৰাকীয়ে অনবদ্য অৱদান আগবঢ়াই গৈছে। এক শোক বাৰ্তাত অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্তই গভীৰ শোক প্ৰকাশ কৰি মন্তব্য কৰে যে কেইবা দশক জুৰি মাজুলীৰ সমাজ জীৱন, জাতীয় জীৱন সমৃদ্ধ কৰা "ভৱ গোঁসাই"ৰ মৃত্যু জাতীয় জীৱন, সাংস্কৃতিক ক্ষেত্ৰখনৰ এক অপূৰণীয় ক্ষতি। ১৯৮৬ চনৰে পৰা সত্ৰাধিকাৰ আসন অলংকৃত কৰা প্ৰয়াত সত্ৰাধিকাৰ গৰাকী অসম সত্ৰ মহাসভা, সাহিত্য সভাৰ লগত দীৰ্ঘদিন ধৰি সক্ৰিয়ভাৱে জড়িত আছিল। বিশ্ব হিন্দু পৰিষদৰ উত্তৰ পূৱ প্ৰান্তৰ সভাপতি, অসম গণ পৰিষদৰো মাজুলী জিলা গঠনত সক্ৰিয় ভূমিকা নিষ্ঠাৰে পালন কৰি গৈছে। বহুকেইখন শিক্ষানুষ্ঠানৰ সভাপতি, মিলিত কৃষি সংঘ খাৰজানপাৰ প্ৰতিষ্ঠাপক সম্পাদক, শংকৰদেৱ শিশু নিকেতনৰো প্ৰতিষ্ঠাপক সভাপতি আছিল। আধ্যাত্মিক জ্ঞানেৰে পৰিপুষ্ট এগৰাকী সুশ্ৰী, হাস্যবদনা গোসাঁইৰ বিয়োগত অসম সত্ৰ মহাসভাই গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ সদগতি কামনাৰে দুজনা গুৰুৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনায়। বাৰ্তাটোত মহাসভাই শোক সন্তপ্ত পৰিয়াল বৰ্গৰ লগতে শোকস্তব্ধ শিষ্য প্ৰশিষ্য বৰ্গক আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ত নৃশংস হত্যাকাণ্ড সংঘটিত



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ সমীপত সুৰাৰ ৰাগীত মাতাল হৈ এজন যুৱকক হত্যা কৰাৰ অভিযোগ পৰিয়ালৰ। মৰিয়াই মৰিয়াই হত্যা কৰিলে এজন যুৱকক উদণ্ড যুৱকৰ দলে। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ সমীপৰ আলুবাৰীত সংঘটিত হোৱা এই ঘটনাই এতিয়া অঞ্চলজুৰি সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। মৃত যুৱকজনৰ নাম টম্নু সোনাৰ বুলি জানিব পৰাৰ লগতে বয়স প্ৰায় ২৪ বছৰ। জানিব পৰা মতে দীপজ্যোতি ৰাজবংশী নামৰ যুৱকজনে পুৰণি শত্ৰুতাৰ পোতক পূৰাবলৈ ১১-১২ জনীয়া যুৱকক লগত লৈ আলুবাৰীৰ এখন দোকানৰ ভিতৰত গণপ্ৰহাৰ কৰিছিল সোনাৰক বুধবাৰে নিশা। ততাতৈয়াকৈ টম্নু সোনাৰক অসম চিকিৎসা মহাবিদ্যালয়লৈ লৈ অনা হৈছিল যদিও বৃহস্পতি বাৰে পুৱা মৃত্যুক সাবটি লয় ২৪ বছৰীয়া যুৱকজনে। ইতিমধ্যে আৰক্ষীয়ে পৰিয়ালৰ গোচৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰি ১২ জনীয়া হত্যাকাৰী দলৰ অন্যতম অভিযুক্ত দীপজ্যোতি ৰাজবংশীক গ্ৰেপ্তাৰ কৰিছে। বৰ্তমানেও পলাতক উদণ্ড দলটোৰ অভিযুক্ত কেইজন। উল্লেখ্য যে আলুবাৰী অঞ্চলৰ এখন দোকানত সংঘটিত হোৱা এই ঘটনাই ৰাজ্যজুৰি জোকাৰণি সৃষ্টি কৰিছে। শইফালে পৰিয়ালৰ অভিযোগ অনুসৰি ঘটনা সংঘটিত হোৱা দোকানখন বাহিৰৰ পৰা তামোল পাণৰ দোকান কিন্তু ভিতৰত চলে অবাধ মদৰ বেহা। আলুবাৰীত এখন মদৰ (দহ পৃষ্ঠাত চাওক)

# ‘আদালতৰ বাহিৰে ভিতৰে’ শীৰ্ষক গ্ৰন্থ উন্মোচন ডঃ নগেন শইকীয়াৰ



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ অধিবক্তা, লেখক, শিশু সাহিত্যিক প্ৰসেনজিৎ গোস্বামীয়ে পেছাগত জীৱন যাত্ৰাত লাভ কৰা লোক সাহিত্যৰ উৎসক লৈ ৰচনা কৰা “আদালতৰ বাহিৰে ভিতৰে”- শীৰ্ষক লেখকৰ ২৭ সংখ্যক গ্ৰন্থখনি স্বনামধন্য বৰেণ্য সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বেজবৰুৱা আসনৰ প্ৰাধ্যাপক ডঃ নগেন শইকীয়াই তেখেতৰ পুথিভঁৰাল “বৰ্ণমালা”ত উন্মোচন কৰে। জাতীয় জীৱনৰ অভিভাৱক গৰাকীয়ে কয় যে অধিবক্তা গোস্বামীয়ে কাছাৰীলৈ গোচৰ তৰিবলৈ সাক্ষী দিবলৈ নাইবা পদকীয়া হিচাপে অহা গাওঁ-ভুঁইৰ অনেক মানুহৰ মুখৰ পৰা শুনা এনে কিছু বাক্য খণ্ড বাক্য আৰু প্ৰকাশ ভংগী শুনি শুনি কৰি যোৱা টোকা সম্পাদনা কৰি পুথিখনি প্ৰণয়ন কৰিছে। গোস্বামীয়ে এনে সংগ্ৰহৰ যি কাম হাতত লৈছে এতিয়াই তাক ইমানতে এৰি নিদিব বুলি সাহিত্যিক গৰাকীয়ে কয়। অনুষ্ঠানৰ শুভক্ষণত বিশিষ্ট লেখক, অধিবক্তা বিশ্বজিৎ বৰুৱা আৰু ডঃ শইকীয়াৰ পত্নী লাৱণ্য শইকীয়াই গোস্বামীক অভিনন্দন জনায়।

# কংগ্ৰেছত যোগদান কাৰ্যসূচী



ৰঙিলী বাৰ্তাসেৱা- অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ সভাত আম আদমী পাৰ্টীৰ (আপ) কেইবাজনো নেতা কৰ্মীয়ে কংগ্ৰেছ দলত যোগদান কৰে। আপৰ ডিব্ৰুগড় জিলা কমিটীৰ সাংগঠনিক সম্পাদক অমৃত কুমাৰ বৰুৱাৰ নেতৃত্বত কংগ্ৰেছ দলত যোগদান কৰা ব্যক্তি সকলৰ ভিতৰত পঞ্চায়তৰ সভাপতি তথা আপৰ উপদেষ্টা তথা কাৰ্যকৰী সদস্য অন্তৰ্ভুক্ত হৈ আছে। তেওঁলোক হ’ল বিমল হাজৰিকা, নীলকান্ত মিছিং, কাৰ্তিক শইকীয়া, অজিৎ মূড়া, সুখৰাম ভক্ত, বিজয় মূড়া, মাইনা সিং চুবেদাৰ, উমেশ চন্দ্ৰ চুবেদাৰ, জীত তেৰণ, মানৱ ইংতি, জনছন কোঁৱৰ, মোজাম্মিল আলি, আৰু ছোহেবুল হুছেইন। তদুপৰি অসম অনুসূচিত জাতি উন্নয়ন নিগমৰ প্ৰাক্তন প্ৰসাশনিক বিষয়া ৰাজেন্দ্ৰ নাথ দাসেও কংগ্ৰেছ দলত যোগদান কৰে। উক্ত যোগদান অনুষ্ঠানত উপস্থিত থকা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই আপৰ সদস্য সকলক কংগ্ৰেছলৈ আদৰণী জনাই কয় যে “দেশ আৰু জাতিৰ বাবে সেৱা আগবঢ়াবলৈ ইচ্ছুক প্ৰতিজন সক্ৰিয় ৰাজনৈতিক ব্যক্তিক কংগ্ৰেছ দলত যোগদান কৰিবলৈ আমি আহ্বান জনাও আৰু দেশপ্ৰেমীক সকলৰ বাবে আমাৰ দোৱাৰ সদায় খোলা আছে।” ভাষণ প্ৰসঙ্গত সভাপতি গৰাকীয়ে কয় যে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালকে স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ (পিআৰচি) নোহোৱাকৈ ভাৰতবৰ্ষৰ যিকোনো ঠাইৰ লোকে অসমৰ শিক্ষা বিভাগৰ চাকৰিৰ বাবে আবেদন কৰিব পাৰিব বুলি জাননী জাৰী কৰিছে। সেইখন জাননী শেহতীয়াভাৱে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৈধ নহয় বুলি কৈছে। যদি মুখ্যমন্ত্ৰীৰ ভাষ্য সত্য হয় তেন্তে উচ্চ শিক্ষাৰ সঞ্চালক গৰাকীক তৎকালেই চাকৰিৰ পৰা নিলম্বন কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই প্ৰত্যাহ্বান জনায়।

# ভাৰতৰ ক্ৰিকেট দলৰ নতুন মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰ



ৰঙিলী বাৰ্তাসেৱা- অৱশেষত ভাৰতীয় ক্ৰিকেট দলৰ পৰৱৰ্তী প্ৰশিক্ষকৰ নাম ঘোষণা কৰিলে বিচিচিআইৰ সচিব জয় শ্বাহে। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে আনুষ্ঠানিক ঘোষণা কৰিলে জয় শ্বাহে। চৰ্চা অনুসৰিয়েই ভাৰতীয় ক্ৰিকেট দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হ’ল গৌতম গম্ভীৰক। গৌতম গম্ভীৰক বাছনি কৰাৰ কথা ছচিয়েল মিডিয়াযোগে ঘোষণা কৰে জয় শ্বাহে। জয় শ্বাহে ছচিয়েল মিডিয়াত এটা পোষ্ট কৰি ভাৰতীয় ক্ৰিকেট দলৰ নতুন মুখ্য প্ৰশিক্ষক হিচাপে গৌতম গম্ভীৰক স্বাগতম জনাই অতিকে আনন্দিত হোৱা বুলি কয়। জয় শ্বাহে ছচিয়েল মিডিয়াত কয়, “মই ভাৰতীয় দলৰ পৰৱৰ্তী কোচ হিচাপে গৌতম গম্ভীৰক স্বাগতম জনাইছো। আধুনিক ক্ৰিকেট ক্ৰমশঃ সলনি হৈছে আৰু গৌতম গম্ভীৰে এই পৰিৱৰ্তিত পৰিৱেশ ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছে। সমগ্ৰ কেৰিয়াৰত বিভিন্ন ভূমিকাত পাৰদৰ্শিতা দেখুওৱা পাচত, মই নিশ্চিত যে গৌতম ভাৰতীয় ক্ৰিকেটক আগুৱাই নিয়াৰ বাবে আদৰ্শ ব্যক্তি। টিম ইণ্ডিয়াৰ প্ৰতি তেওঁৰ স্পষ্ট দৃষ্টিভংগী আৰু তেওঁৰ বিশাল অভিজ্ঞতাই তেওঁক এই ৰোমাঞ্চকৰ আৰু আটাইতকৈ দাবীদাৰ প্ৰশিক্ষকৰ ভূমিকা চম্ভালিবলৈ নিখুঁতভাৱে প্ৰস্তুত কৰি তুলিছে। এই নতুন যাত্ৰাত বি চি চি আয়ে তেওঁক সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছে।” প্ৰাক্তন বাওঁহাতৰ বেটছমেনগৰাকীয়ে ৰাহুল দ্ৰাবিড়ৰ পিচত ভাৰতৰ মুখ্য প্ৰশিক্ষকৰ পদত অৱতীৰ্ণ হোৱাৰ লগতে শ্ৰীলংকাৰ বিৰুদ্ধে বিদেশী শৃংখলা তেওঁৰ প্ৰথম দায়িত্ব হ’ব। গৌতম গম্ভীৰ ২০০৭ চনৰ টি-২০ বিশ্বকাপ বিজয়ী ভাৰতীয় দল আৰু ২০১১ চনৰ এদিনীয়া বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ অংশ আছিল। দিল্লীৰ প্ৰাক্তন বেটছমেনগৰাকীয়ে ৫৮খন টেষ্ট, ১৪৭খন এদিনীয়া আৰু ৩৭খন টি-২০ মেচ খেলিছিল, য’ত তেওঁ ক্ৰমে ৪১৫৪, ৫২৩৮ আৰু ৯৩২ ৰাণ সংগ্ৰহ কৰিছিল। ২০২৪ৰ আই পি এলত কলকাতা নাইট ৰাইডাৰ্ছৰ মেন্টৰ আছিল গৌতম গম্ভীৰ আৰু শ্ৰেয়াছ আয়াৰ নেতৃত্বাধীন দলটোৱে এইবাৰ আই পি এলত জয়লাভ কৰিছিল।

# কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছাৰ সৈতে বোকাখাত মহকুমাধিপতিৰ কাৰ্যালয়ত বৈঠক

ৰঙিলী বাৰ্তাসেৱা- ১০ জুলাইত কাজিৰঙা লোকসভা সমষ্টিৰ মাননীয় সাংসদ কামাখ্যা প্ৰসাদ তাছাই বিয়লিভাগত বোকাখাত মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে বোকাখাত মহকুমাত বৰ্তমান বান পৰিস্থিতিৰ বিষয় বুজ লোৱাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। বৈঠকত বোকাখাত মহকুমাৰ মহকুমাধিপতি চিমী কৰণে বোকাখাতৰ সামগ্ৰিক বান পৰিস্থিতি, বিভিন্ন বিভাগে বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাপনা আৰু সাহায্য প্ৰদানৰ প্ৰচেষ্টা সমূহৰ বিষয়ে সাংসদগৰাকীক অৱগত কৰে। বৈঠকত সাম্প্ৰতিক বানত মহকুমাখনৰ ক্ষয়-ক্ষতিৰ সম্পৰ্কত বুজ লৈ সাংসদ গৰাকীয়ে সকলো বিভাগকে দুৰ্যোগৰ সময়ত ৰাইজৰ কাষত থাকি সকলো ধৰণৰ সহায় সহযোগ আৰু তাৎক্ষণিক ভাৱে সাহায্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। সাংসদগৰাকীয়ে লগতে বানপানী হ্ৰাস আৰু ইয়াৰ প্ৰভাৱ সীমিত কৰাৰ বাবে দীৰ্ঘম্যাদী সমাধান সূত্ৰৰ ওপৰত কাম কৰি যাবলৈ উপস্থিত বিষয়া সকলক নিৰ্দেশ দিয়ে।



# অসমৰ শতাধিক স্থানত এবিভিপিৰ দিৱস উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰপ্ৰেম আৰু ৰাষ্ট্ৰীয়তাবাদৰ চিন্তাৰে ১৯৪৯ চনৰ ৯ জুলাই তাৰিখে জন্মগ্ৰহণ কৰা ছাত্ৰ সংগঠন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ প্ৰতিষ্ঠা দিৱস অসম প্ৰায় শতাধিক স্থানত বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয়। এবিভিপি গুৱাহাটী মহানগৰৰ উদ্যোগত এক বিস্তৃত কাৰ্যসূচীৰে প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত পুৱা ৯ বজাৰ পৰা এদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। য'ত এবিভিপিৰ বহু সংখ্যক কাৰ্যকৰ্তা উপস্থিত থকাৰ লগতে বহু সংখ্যক প্ৰাক্তন কাৰ্যকৰ্তাও উপস্থিত থাকে। সন্মানীয় অতিথি হিচাপে অসম গৌৰৱ সন্মানেৰে সন্মানিত অনুপম ডেকা (উদ্যোগী), টুৰিজিম ডাইৰেক্টৰ (IRS) পদ্মপানী বৰা, এবিভিপিৰ উত্তৰ-পূৱ ক্ষেত্ৰীয় সাংগঠনিক সম্পাদক কমল নয়ন, এবিভিপিৰ ৰাজ্যিক সম্পাদক হেৰম্ভ মহন বিশেষভাৱে উপস্থিত থাকে। উক্ত প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ গুৱাহাটী মহানগৰ সমিতিয়ে গুৱাহাটী মহানগৰৰ অন্তৰ্গত প্ৰায় ৩৭২ খন বিদ্যালয়ৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ ছাত্ৰীক "পদ্মশ্ৰী বিৰুবালা ৰাভা" বঁটাৰে সন্মানিত কৰাৰ লগতে নৱপ্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস হোৱা ৬ গৰাকী যুৱ প্ৰজন্ম ক্ৰমে সান্নিধ্য ভূঞা (কণ্ঠশিল্পী), ড° অক্ষিতা নাৰায়ন (যুৱ উদ্যোগী), কৌশিক নন্দন বৰুৱা (যুৱ লিখক), প্ৰিজা গোস্বামী (যুৱ শৈক্ষিক পৰামৰ্শ দাতা), অবয়ব ভূঞা (ইউটিউবাৰ), কমলিকা কাশ্যপ (যুৱ কণ্ঠ শিল্পী)ক



বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰিও নলবাৰীৰ বৰভাগত অনুষ্ঠিত কৃতি ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত ৰাজ্যিক সাংগঠনিক সম্পাদক অনুপ কুমাৰ, হাউলিত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত ৰাজ্যিক মিডিয়া প্ৰমুখ জিতুমণি কলিতা বিশেষভাৱে উপস্থিত থাকে। ইয়াৰ উপৰিও মঙলদৈ, লামডিং আদি স্থানটো কৃতি ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠানৰ যোগেদি এবিভিপিৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়।

# শাওণ মেলা প্ৰস্তুতি সন্দৰ্ভত কামৰূপ(ম) জিলা প্ৰশাসনৰ বৈঠক

ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ (ম)জিলা আয়ুক্তৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত পাৰিজাত ভূঞাৰ সভাপতিত্বত শাওণ মেলা (বল বম) সুকলমে উদযাপন সন্দৰ্ভত এখন বৈঠক অনুস্থিত হয়। মহকুমা দণ্ডাধীশ কংকন শৰ্মা, মহানগৰ আৰক্ষীৰ নিৰাপত্তা আৰু চোৰাংচোৱাৰ উপ-আয়ুক্ত ধ্ৰুৱ বৰা, যানবাহন আৰক্ষীৰ উপ- আয়ুক্ত জয়ন্ত সাৰথি বৰা, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, আবকাৰী পৰিদৰ্শক, ৰাজহ চক্ৰ বিষয়া, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ বিষয়া, বশিষ্ঠ মন্দিৰৰ সভাপতি-সম্পাদক, শুক্লেশ্বৰ দেৱালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া আদি উপস্থিত থাকে। বৈঠকত শাওণ মেলা সুচাৰুৰূপে পালন কৰাৰ বিষয়ে মহকুমা




দণ্ডাধীশ কংকন শৰ্মাই অৱগত কৰে । তদুপৰি মন্দিৰত স্বেচ্ছাসেৱক নিয়োগ, এ পি ডি চি এলেক মন্দিৰৰ দাঁতিকাষৰীয়া ঠাইসমূহত ষ্ট্ৰীট লাইটৰ উপযুক্ত ব্যৱহাৰ, পাৰ্কিংৰ যথাযথ ব্যৱস্থাৰ ওপৰতো গুৰুত্ব আৰোপ কৰাৰ লগতে ভক্তৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পামহীৰ ভীমশংকৰ মন্দিৰতো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰা হয়। আনহাতে ভক্তসকলৰ অসুবিধা নহ'বৰ বাবে স্বাস্থ্য সেৱা যুটীয়া সঞ্চালকে দিছপুৰ সচিবালয়, কমাৰ্চ কলেজ আৰু এছ বি দেওৰা কলেজৰ তিনিওটা স্থানত মেডিকেল কেম্পৰ ব্যৱস্থা কৰিব । জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে পৱিত্ৰ শাওণ মেলা শান্তিপূৰ্ণ আৰু সুশৃংখলিতভাৱে পালন কৰাৰ বাবে সকলোৰে পৰা সহযোগিতা কামনা কৰে। বৈঠকত মন্দিৰ কমিটিৰ বিষয়ববীয়াসকলে তেওঁলোকৰ সমস্যাসমূহৰ বিষয়েও অৱগত কৰে।

# অৰুণ কুমাৰ বৈশ্যৰ উপন্যাস "হিয়াৰ প্ৰতিশ্ৰুতি" উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- আমবাৰী নৱযুগ প্ৰাথমিক বিদ্যালয় প্ৰাংগনত ৬ জুলাইত ফটাশিল আমবাৰী জ্যেষ্ঠ নাগৰিক সমাজৰ সৌজন্যত অনুষ্ঠিত সভাত সমাজৰ সদস্য অৰুণ কুমাৰ বৈশ্যৰ উপন্যাস "হিয়াৰ প্ৰতিশ্ৰুতি" উন্মোচন কৰে সমাজৰ সভাপতি, প্ৰাক্তন অধ্যাপক দিবাকৰ ভাগৱতীয়ে। সভাত বিশিষ্ট ব্যক্তিসকলে অশীতিপৰ বৈশ্যৰ সাহিত্যৰ প্ৰতি অনুৰাগৰ বিষয়ে প্ৰশংসা কৰে। শৈলেন্দ্ৰ চন্দ্ৰ কলিতাই আঁত ধৰা সভাখনত আৰম্ভণিতে নৱেন্দ্ৰ ৰায় চৌধুৰীয়ে আৰম্ভ গীত পৰিৱেশন কৰে । সভাত সমাজকৰ্মী লক্ষ্মীকান্ত ভূঞা, মৌৰাম দাস, বাণীকান্ত শৰ্মা, অৰুণ চন্দ্ৰ ভাগৱতী, নীলিমা শৰ্মা মহন্ত, পাৰিষদ দীপাংকৰ বৈশ্য প্ৰমুখ্যে বিভিন্ন জনে অৰুণ কুমাৰ বৈশ্যৰ প্ৰশংসা কৰি ভাষণ দিয়ে। সভাত অৰুণ কুমাৰ বৈশ্যই শলাগৰ শৰাই আগবঢ়ায়।

# অবিনাশৰ মৃত্যুয়েই শেষ মৃত্যু হওঁক- ৰিপুণ বৰা



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ কৃত্ৰিম বানপানীত অবিনাশ চৰকাৰৰ কৰুণ মৃত্যুৱে সমগ্ৰ অসমকে ম্ৰিয়মান কৰি তুলিছে। পিতৃ-মাতৃৰ বাবে নিজ পুত্ৰক হেৰুৱাৰ বেদনা অতি যন্ত্ৰণাদায়ক। অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ সহিতে অসম তৃণমূল কংগ্ৰেছৰ এটা সজাতি দল শোকসন্তপ্ত অবিনাশৰ পৰিয়ালৰ কাষত উপস্থিত হয় আৰু মৃত অবিনাশৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ লগতে দুৰ্ভগীয়া পিতৃ-মাতৃক সমবেদনা জ্ঞাপন কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত সভাপতি ৰিপুণ বৰাই কয় যে, "এই মৃত্যুয়েই হওক শেষ মৃত্যু। অবিনাশৰ দৰে এটি নিষ্পাপ শিশুৰ এনে মৃত্যু সঁচাই অসহনীয়। গুৱাহাটীত এনে ধৰণৰ ঘটনা পূৰ্বতেও সংঘটিত হৈছিল। কিন্তু পূৰ্বৰ ঘটনাৰ পৰা চৰকাৰ বা প্ৰশাসনে কোনো শিক্ষা নললে। ৰাইজৰ সেৱা তথা ৰাইজৰ সমস্যাসমূহ সমাধান কৰা তেওঁলোকৰ দায়িত্ব। কিন্তু অবিনাশৰ মৃত্যুৰ ঘটনাই চৰকাৰ তথা গুৱাহাটী পৌৰ নিগমৰ দ্বায়িত্বহীন আৰু অকৰ্মণ্য চৰিত্ৰক উদঙাই দিলে। চৰকাৰ তথা গুৱাহাটী পৌৰ নিগম আৰু বিভাগীয় কৰ্তৃপক্ষই এই ঘটনাৰ পৰা শিক্ষা লোৱা উচিত অন্যথা এনেধৰণৰ ঘটনা ভৱিষ্যতেও সংঘটিত হৈয়েই থাকিব। আমি বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছোঁ মহানগৰৰ মৰণফাণ্ড সদৃশ মুকলি নলা-নৰ্দমা, কৃত্ৰিম বান, ৰাস্তা-ঘাট আদিৰ সমস্যাসমূহৰ শীঘ্ৰেই সমাধান কৰক আৰু মহানগৰবাসীক বিপদমুক্ত কৰক।

# মাজুলী স্বাস্থ্য বিভাগৰ উদ্যোগত স্বাস্থ্য শিবিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী জিলা স্বাস্থ্য বিভাগৰদ্বাৰা জিলাখনত বানপানীৰ সময়ত জনসাধাৰণৰ হ'ব পৰা সাম্ভাব্য বেমাৰৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ বিভিন্ন প্ৰান্তত নিতৌ স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। বিশেষকৈ বানাক্ৰান্ত অঞ্চল সমূহত বানপীড়ীত ৰাইজৰ সাহায্যাৰ্থে এই স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয় । জিলাখনৰ জুগুনীধাৰী, খৰিছাখোৱা, কুলামৰা, বাহিৰ মৰংগীয়াত, আউনীআটী, বালি বৰপমুৱা, যোগীবাৰী, তামোলঘুলি, শুকানসুঁতি বণিয়া গাঁও, চুমৈমাৰী, বৰদোৱা চাপৰি, মধুপুৰ চাপৰি, অৰ্জুনগুৰি গাওঁ, জুগুণিধাৰী, বৰালীমৰা, নামনি গেজেৰা, পুৰণি সত্ৰ আৰু দীঘলী গাঁও, বৰটানি গাঁও , বনগাঁও আদি অঞ্চলত ইতিমধ্যে এই স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

# টিপচাকি

অনামিকা(সংগীতা)কলিতা, শুৱালকুছি



ঃ মা, কেৰাচিন আছে নে টিপচাকিত? কাইলৈ গণিতৰ ছাৰক নেওতা মুখস্থ দিব লাগিব।
ঃ ঢেঁকী ধান বাণী থকা মাকে পুতেকৰ মুখলৈ চাই ক'লে- কালিও ধনদাইটিৰ দোকানত গৈছিলো তেল নেপালো, নিশাটোৰ বাবে বোপা এইখিনি তেল আছে...!
ঃ "হব দিয়া মা, তেতিয়া হ'লে এতিয়া নপঢ়ো ৰাতিপুৱা উঠিয়েই পঢ়িম তুমি মোক উঠাই দিবা!
ঃ মাকে হ'ব বুলি শলাগিলে।

গিৰিয়েক টান নৰিয়াত ঢুকাল আজি এবছৰে হ'ল। তেওঁ বহুত কষ্টকৰি অকলেই ঘৰখন চলাই নিছে। দৰিদ্ৰতাই কোঙা কৰা ঘৰখন জোৰা টাপলি মাৰি কেনেকৈ চলাই নিছে তেওঁহে জানে। সন্তান দুটিক যিমানখিনি সুবিধা দিব লাগিছিল পৰা নাই তথাপিও তেওঁ কাৰো ওচৰত হাত নেপাতি নিজে অশেষ পৰিশ্ৰম কৰি চলাই গৈছে। সিহঁতকো বুজাই থাকে নিজৰ কৰ্ম কৰি যাব লৈ, সিহঁতেও মাকক যিখিনি পাৰে সহায় কৰি দিয়ে।
ঃ সপ্তম শ্ৰেণীত পঢ়ি থকা যতিনে মাকক সুধিলে, গাঁৱৰ ধনদাইটিয়ে তাক ৰাতিপুৱা বাতৰিখিনি বিলোৱা কামটো দিছে কৰিব নে? ৰাতিপুৱা এঘণ্টাৰ কাম সেইখিনি কৰিলে মাহত এহেজাৰ টকা পাব। তাৰ আৰু ভায়েকৰ স্কুলৰ বহি কলম পৰীক্ষাৰ মাছুলখিনি হৈ যাব। মাকে তাক প্ৰথমতে কৰিব মানা কৰিছিল পঢ়াত যদি সময় নেপাই কি হ'ব? গিৰিয়েকৰ আত্মাই তেওঁকে দুখিব কিন্তু পুতেকৰ ঘৰৰ প্ৰতি থকা দায়িত্বৰ অনুভৱ দেখি বাধ্য হৈ কৰিব দিলে।

ল'ৰা দুটাই সিহঁতৰ পঢ়াও নিয়াৰিকৈ চলাই নিছে লগতে প্ৰতিটো দিনৰ কৰ্মও খুব সুন্দৰ কৰি গৈছে দেখি মাক ৰমলাৰ মন প্ৰশান্তিৰে ভৰি পৰে। মাকক সিহঁতে আজিকালি বেছি কাম কৰিব নিদিয়ে দুয়ো কামবোৰ পাৰেমানে ভগাই লৈছে। এনেদৰে দুয়ো ভাই ককাই টিপচাকিৰ পোহৰত সাতোৰঙী সপোন দেখাৰ লগতে নিজৰ জীৱনটো সফলতাৰ বাট বোলাৰ উপৰিও বহুতক সাহস যোগাই আহিছে। এতিয়া সিহঁত দুয়ো চৰকাৰী বিভাগত বিষয়া হিচাপে কৰ্মৰত নিজৰ ঘৰ ধুনীয়াকৈ বনালে টিপচাকিৰ সলনি বিজুলী বাতিৰে পোহৰাই তুলিলে। গাঁৱৰ মানুহখিনিকো যিমান পাৰে সহায় কৰি যায়। সিহঁত গাঁওখনৰ আদৰ্শ হিচাপে সকলোৰে শ্ৰদ্ধা কৰে। পৰিয়াল ল'ৰা ছোৱালী সম্পূৰ্ণৰূপে দুয়ো ভাই ককাইৰ একোখন ঘৰ হ'ল কিন্তু নিজৰ টেবুলখনৰ একোণত টিপচাকি দুটি দুয়ো সজাই থৈছে এতিয়াও কাৰণ অতীতৰ পৰাই ভৱিষ্যতৰ আৰম্ভণি হয়। সিহঁতৰ নৱপ্ৰজন্মক সেই আৰ্হিত সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সংকল্পবদ্ধ। মাক-দেউতাকে দি যোৱা প্ৰতিটো উপদেশ সিহঁতৰ জীৱনৰ মূলমন্ত্ৰ।

# মইনাৰ সপোন

ৰাজলক্ষ্মী বৰঠাকুৰ,দেৰগাঁও



মইনাৰ মনত মহা ফূৰ্তি
দিলে গৰম বন্ধ।
শুৱ পাৰিম দেৰিলৈকে
আমাৰ স্কুল বন্ধ।
এইকেইদিন নকৰো
মই পঢ়া-শুনা
সমনিয়াৰ লগত
গৈ কৰিম খেলা-ধূলা।
ৰমেনহঁতৰ লগত গৈ
মলুৱা ককাৰ বাৰীত
পকা, পকা আম-জামু খাম বুটলি ।
টোপনিতে মইনাই দেখে
ৰঙীন ৰঙীন সপোন,
তেনে সময়তে মাকে আহি
মইনাক কাণত দিলেহি চেপা।
বেলি দোপৰ হল আৰু কিমান নুশুৱ
গৰম বন্ধ হল বুলি পঢ়া-শুনা কিয় নকৰ।

# জন্মদিন

বৰ্ণালী চৌধুৰী,শুৱালকুছি(বংশৰ)




ৰৈ আছোঁ
হৃদয়নিসৃত কেইটামান
যাদুকৰী শব্দৰ বাবে
এই এটা বিশেষ দিনৰ
নিশা বাৰবজালৈ মই ৰৈ থাকো
ৰঙীন পানীয়ৰ বটলবোৰ নোখোলাকৈ
মিছা কোৱা নাই
এই মাথোঁ এটা দিনত
আকৌ এবাৰ পিন্ধি লও
বহু বছৰ আগতে খুলি থৈ দিয়া
প্ৰতীক্ষাৰ ঘড়ীটো
তোমাৰ আন্তৰিক প্ৰাচুৰ্যৰে
চহকী হ'বলৈ
ৰৈ আছোঁ মই
টোপনিগধুৰ এহাল চৰাই নিচুকাই
নামক বুলিয়েই
মোৰ ৰুদ্ধশ্বাস পৃথিৱীলৈ
শুভেচ্ছাৰ বৰ্ণময়
কিছু বিলাসী উশাহ

# সৰাপাত

অলকা বুজৰ বৰুৱা
টিহু, নলবাৰী



পদুলিমুখৰ নাহৰ-জোপাৰ সৰাপাতবোৰ অনন্ত বৰাই সাৰি এঠাইত গোট খুৱালে। তেওঁৰ নিজকে আজি এই সৰাপাতবোৰৰ স'তে তুলনা কৰিবলৈ বৰ মন গ'ল। গছৰ পাতবোৰে সজীৱ হৈ থাকোতে গছজোপাক যেতিয়ালৈ খাদ্যৰ যোগান ধৰিব পাৰে তেতিয়ালৈহে তাৰ মূল্য। পাতবোৰ বুঢ়া হৈ সৰি পৰাৰ পৰাই তাৰ মূল্য নোহোৱা হয়।

অনন্ত বৰাৰ নিজকে আজি সৰাপাত যেনেই লাগিল। সন্তান জন্ম হোৱাৰ পিছত মাক-দেউতাক হঁতৰ এটাই আশা কেনেদৰে সন্তানটোক ভালৰো ভাল এসাজ খুৱাব পাৰি, কেনেদৰে এসাজ দামী কাপোৰ দিব পাৰি,কেনেদৰ ভাল বিদ্যালয় এখনত পঢ়াব পাৰে। অনন্তইও পুতেক ভাস্কৰ আৰু জীয়েক ৰজিতাক বহুত টকা পইচা খৰচ কৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুৱাইছিল ।নিজা নিজা জীৱনত দুয়োজনেই আজি সুপ্ৰতিষ্ঠিত। কিন্তু দেউতাকৰ খবৰ ল'বলৈ সিহঁতৰ সময় নাই। পত্নীৰ মৃত্যুৰ পিছত জীয়েক পুতেকহঁতে তেওঁক বৃদ্ধাশ্ৰমত থোৱাৰ যোজা কৰিছিল । কিন্তু তেওঁ সিহঁতৰ কথাত মান্তি নহ'ল । তেওঁ পুত্ৰ কন্যাক কঠোৰ ভাবে কৈছিল-" যি খন ঘৰত মোৰ জন্ম হৈছিল মই সেই ঘৰখনতেই চকু মুদিম। তহঁতৰ মোক দিবলৈ সময় নাই তাত মোৰ কোনো অভিযোগ নাই। তহঁত যেনেকৈ থাকি সুখী হব তেনেকৈয়ে থাক। কিন্তু মই এই ঘৰ এৰি ক'লৈকো নাযাও। ইয়াত মোৰ শৈশৱ, কৈশোৰ, যৌৱন সকলো সময়ৰ স্মৃতি জড়িত হৈ আছে, মাৰৰ স'তে পাৰ কৰা সময়ৰ মধুৰ স্মৃতিবোৰ সিচঁৰতি হৈ আছে । সেই স্মৃতিবোৰ লগত লৈয়ে কটাই দিম জীৱনৰ বাকী দিনবোৰ ।" আজি এবছৰেই হ'ল পুত্ৰ কন্যাই তেওঁৰ খবৰ নোলোৱা। এতিয়া সিহঁতৰ ওচৰত তেওঁ গুৰুত্বহীন ঠিক সৰাপাতবোৰৰ দৰেই।

# কিতাপ পঢ়াৰ আনন্দ

ফখৰুদ্দিন আহমেদ



সাম্প্ৰতিক সময়ত মানুহৰ জীৱনৰ পৰা ব্যৱহাৰ্য বহুতো অত্যাৱশ্যকীয় সামগ্ৰীয়ে মেলানি মগাৰ ক্ষেত্ৰত মোবাইল ফোনক দোষাৰোপ কৰা হয় । সেই তাহানিৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ ভিতৰত সৰ্বতো প্ৰথমে নাম ল'ব লাগিব কিতাপৰ । তাৰ পিছত চিঠি, ঘড়ী, টৰ্চলাইট, নোটবুক, এলাৰ্মক্লক ইত্যাদি বহু সামগ্ৰী । মানুহৰ মানসিকতাৰ পৰা এই মোবাইল ফোনটিয়ে পাৰস্পৰিক সম্পৰ্কবোৰ সহজলভ্য কৰি আন্তৰিকতাপূৰ্ণ সম্পৰ্কত আঘাত হানিছে বুলিও বহুতে ওজৰ কৰি আহিছে । পিছে এই সকলোবোৰ মানুহৰ মাজৰ পৰা নোহোৱা হৈ যোৱা মূল বিষয়টিৰ একমাত্ৰ কাৰণ হৈছে মানুহে প্ৰয়োজনত মোবাইল ফোন যিমান ব্যৱহাৰ কৰে তাৰ বিপৰীতে অপ্ৰয়োজনত বেছিকৈ কৰে। বেছিকৈ মানে বহুতৰে বাবে মোবাইল ফোনটি নহ'লে খাৱন, খোৱন, টোপনি, জিৰনি আৰু আনকি পেচাব- পাইখানাও নোহোৱাৰ অৱস্থা হৈ গৈ। কিন্তু এয়া মানি ল'বই লাগিব যে মোবাইল ফোন মানৱ জাতিৰ বাবে বিজ্ঞানৰ এক মহৎ অৱদান। বিশেষকৈ যোগাযোগৰ ক্ষেত্ৰখনিত। লগতে এইটোও মানিব লগা যে উপযুক্ত কাৰণত মোবাইল ফোন ব্যৱহাৰ কৰা সকলৰ বাবে ই সফলতাৰ অনন্য উপাদান হৈ পৰিছে।

বিভিন্ন মহলত প্ৰায়ে উত্থাপিত এটি প্ৰশ্ন হৈছে কণ কণ শিশু সকলক মোবাইল ফোনৰ প্ৰতি হোৱা আসক্তিৰ পৰা কেনেদৰে ৰক্ষা কৰিব পৰা যাব? এই ক্ষেত্ৰত কিছুদিন পূৰ্বে চ'চিয়েল মেডিয়াত পঢ়িবলৈ পোৱা ৰেল যাত্ৰাত লাভ কৰা জনৈক ব্যক্তিৰ চাক্ষুখ অভিজ্ঞতাৰ বৰ্ণনা আৰু চলিত জুলাই মাহ(২০২৪ বৰ্ষ) ৰ ন তাৰিখ মঙ্গলবাৰে ৰাতিপুৱাৰ ভাগত কামৰূপ গ্ৰাম্য জিলাৰ বেজেৰালৈ স্কুটীৰে গৈ থাকোতে হোৱা প্ৰত্যক্ষ অভিজ্ঞতাৰ কথা উল্লেখ কৰিব পাৰি। ৰেলযাত্ৰাত হোৱা অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰি জনৈক ব্যক্তি গৰাকীয়ে লিখিছিল ৰেলত লগ পোৱা এটি পৰিয়ালৰ কাহিনী । সেই পৰিয়ালৰ দম্পতী আৰু সন্তানটিয়ে ৰেলযাত্ৰাৰ সময়ত হাতেৰে মোবাইল ফোন পিটিকি থকাৰ সলনি কিতাপ পঢ়াত ব্যস্ত আছিল । সমগ্ৰ যাত্ৰা পথৰ অভিজ্ঞতাৰ পৰা লেখক গৰাকীয়ে দম্পতীযোৰৰ পৰা জানিব পাৰিছিল যে তেওঁলোকে ঘৰত বা আন ঠাইবোৰত অপ্ৰয়োজনত মোবাইলত ব্যস্ত নাথাকে। তেওঁলোকে ঘৰ বা বাহিৰত কটোৱা আজৰি সময়বোৰত কিতাপ পঢ়ি কটায়। সন্তানটিয়েও মাক আৰু দেউতাকক অনুসৰণ কৰি কৰিয়েই কিতাপ পঢ়াৰ অভ্যাস গঢ়ি লৈছে। সাম্প্ৰতিক সময়ত এই পৰিঘটনাটিক কেৱল একক আৰু অনন্য বুলি অভিহিত কৰিলেই শেষ নহয়, এই অভ্যাসে তেওঁলোকৰ পিছৰ প্ৰজন্মক এটি সৃষ্টিশীল মানসিকতা আৰু ব্যক্তিগত জীৱনত নিজকে উন্নয়ণমুখী কামত ব্যস্ত কৰাবলৈ সমৰ্থ হ'ব বুলি একে আষাৰে অভিহিত কৰিব পাৰি ।

ব্যক্তিগত অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰিবলৈ গৈ মই শিহৰিত হৈ পৰিছোঁ । কাৰণ উল্লেখিত দিনটোত মই ব্যক্তিগত কাৰণত বেজেৰালৈ গৈ থাকোতে আগে আগে গৈ থকা ডি আই ভানখনৰ পিছৰ মাল উঠোৱা ঠাইখিনিত মোৰ চকু পৰিল । তাত কেইখনমান প্লাষ্টিকৰ চকী, নিত্য ব্যৱহাৰ্য কিছু সা-সৰঞ্জাম আৰু তলি মানে হুড্ খনিত বহি গৈছে এজন যুবক। বোধহয় ভানখনৰ চালকজনৰ লগত অহা আন গৰাকী কৰ্মী। যুৱকজনৰ ক্ষেত্ৰত মই হেণ্ডিমেন শব্দটো ব্যৱহাৰ নকৰিবলৈ সিদ্ধান্ত লৈছোঁ । কাৰণ মোবাইল ফোনৰ দ্বাৰা ধ্বংশৰ গৰাহলৈ গতি কৰি থকা সাম্প্ৰতিক সময়ৰ যুৱ প্ৰজন্মৰ বাবে তেওঁ আদৰ্শৰ প্ৰতীক স্বৰূপ । তলৰ হুড্ খনিত বহি যুৱকজনে সময়ৰ চাহিদা অনুযায়ী মোবাইল ফোনটি পিটিকি যাব লাগিছিল । চিৰ পৰিচিত এই দৃশ্যৰ বিপৰীতে মই দেখিলোঁ যে যুৱকজনে একানপতীয়াকৈ এখন কিতাপ পঢ়ি গৈ আছে । পিছফালৰ বা সমুখৰ ফালৰ পৰা অহা গাড়ী, মটৰৰ ইঞ্জিন আৰু হৰ্ণৰ বিকট শব্দই তেওঁৰ একাগ্ৰতাত তিলমানো ব্যাঘাত জন্মাব পৰা নাই ।মই প্ৰায় দুই/আঢ়ৈ কিলোমিটাৰমান ভান খনৰ পিছে পিছে গৈ বেজেৰা পালোঁগৈ। ভানখন হয়তো গুৱাহাটী নাইবা ৰঙীয়াৰ ফালে যাবগৈ। ডি আই ভানখনৰ সেই অচিনাকী যুৱকজনৰ এই পৰিঘটনাটিয়ে মোক আচৰিত কৰি তুলিলে আৰু যুৱকজনৰ প্ৰতি অন্তৰৰ পৰা অভিবাদন জনাই আবেগ বিহুল হৈ পৰিলোঁ । সচাঁকৈয়ে এই উল্লেখিত দুটি পৰিঘটনাৰ বাৰুকৈয়ে প্ৰতিপন্ন হৈছে যে মোবাইল ফোনৰ প্ৰতি হোৱা অনাৱশ্যক আসক্তিৰ পৰা শিশু, যুৱক তথা সকলো শ্ৰেণীৰ লোকক পৰিত্ৰাণ দিব পৰা একমাত্ৰ উপায়টি হৈছে ব্যক্তিগত তথা সামাজিক জীৱনত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলা । ইয়াৰ বাবে প্ৰয়োজন ঘৰত বা সামাজিক জীৱনত কিতাপ পঢ়া আন্দোলনৰ পৰিবেশ গঢ়ি তোলা ।

সাহিত্যৰ প্ৰতি-যোগিতা এটিত যোগদান কৰি প্ৰায় তিনি দশক পূৰ্বে এখনি কিতাপ পুৰস্কাৰ স্বৰূপে লাভ কৰিছিলোঁ । কিতাপ খনিৰ নাম আছিল ' কিতাপ পঢ়াৰ আনন্দ' । লেখক হৈছে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত, অসমীয়া সাহিত্যৰ যুগান্তকাৰী লেখক স্বনামধন্য, শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি। ঘৰলৈ আহি সম্পুৰ্ণ কিতাপখনি একে বহাতে পঢ়ি শেষ কৰিছিলোঁ। পঢ়ি উঠি অনুভৱ হৈছিল যে এই কিতাপ খনি আকাৰত সৰু হ'লেও মানুহৰ জীৱনৰ গতি পথ সলনি কৰি দিব পৰা বাৰ্তা লেখকে কিতাপ খনিত সন্নিবিষ্ট কৰিছে ।

মোবাইল ফোনৰ প্ৰতি আসক্ত হোৱা অবোধ শিশু সকলৰ ক্ষেত্ৰত (বিশেষকৈ যি সকল শিশুৱে পঢ়িব নোৱাৰে) অভিভাৱক সকলে ৰঙ-বিৰঙৰ ছবি থকা কিতাপ আনি দি ৰঙেৰে বোলোৱাৰ ব্যৱস্থাত এই সকল শিশুক মৰম-চেনেহৰ মাজেৰে ব্যস্ত কৰাব লাগে পোন প্ৰথমতে মাক দেউতাক সকলে নিজেই আগভাগ ল'ব লাগিব। লগতে নিজৰ সন্তানৰ সমুখত অপ্ৰয়োজনত মোবাইল ব্যৱহাৰৰ পৰা বিৰত থাকিব লাগিব ।

ওপৰ শ্ৰেণীত পঢ়ি থকা শিক্ষাৰ্থী সকলে পাঠ্যক্ৰমৰ প্ৰশ্নৰ উত্তৰবোৰ মোবাইল ফোনত গোগ'লত নিবিচাৰি পাঠ্যক্ৰমৰ কিতাপ পঢ়ি আয়ত্ব কৰিবলৈ যত্নপৰ হোৱা উচিত । এনে কাৰ্যৰ দ্বাৰা মানসিক স্বাস্থ্য সুন্দৰ হৈ থাকিব ।

মুঠৰ ওপৰত জীৱন সুন্দৰ, সফল আৰু উপভোগ্য কৰি তুলিবলৈ কিতাপ পঢ়াতো একপ্ৰকাৰ বাধ্যতামূলক । সাম্প্ৰতিক সময়ত এই কাৰ্য মানুহে নিজকে মোবাইল ফোনৰ আসক্তিৰ পৰা বচাবলৈ মহৌষধৰ দৰে ব্যৱহাৰ কৰিব পাৰে ।

# শিক্ষাৰ্থী আৰু মোবাইল গেম

ড° বুলজিৎ বুঢ়াগোহাঁই, আজাৰা, গুৱাহাটী



শিক্ষাৰ্থী সকলক মোবাইল গেমে বিভিন্ন ধৰণে প্ৰভাৱ পেলায় । অধিক মবাইল গেম খেলিলে শিক্ষাৰ ফলাফলত নেতিবাচক প্ৰভাৱ পেলায়। শিক্ষাৰ্থীসকলে পঢ়া-শুনাত মনোযোগ দিব নোৱাৰে আৰু পঢ়াৰ সময় কমি যায়। দীঘলীয়া সময় ধৰি মোবাইলৰ স্ক্ৰীন চাওঁতে চকুৰ সমস্যা, মূৰ বিষ আদি স্বাস্থ্য সমস্যাৰ সৃষ্টি হয়। মোবাইল গেমৰ নিচাই শিক্ষাৰ্থীৰ আচাৰ-ব্যৱহাৰত প্ৰভাৱ পেলাব পাৰে। তেওঁলোকে বেছি সময়ৰ বাবে একেলগ থকা বন্ধুসকলৰ সৈতে সময় অতিবাহিত কৰাৰ ইচ্ছা কমাই দিয়ে। অধিক মোবাইল গেম খেলাৰ ফলত শিক্ষাৰ্থীয়ে সামাজিক কাৰ্যকলাপত কম অংশগ্ৰহণ কৰে আৰু মানসিক স্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়।

শিক্ষাৰ্থী সকলৰ মোবাইল গেমৰ নিচা দূৰ কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। শিক্ষাৰ্থীসকলেৰ দৈনিক কাৰ্যসূচী সমন্বয় কৰি পঢ়াৰ সময় আৰু বিশ্ৰামৰ সময় সমতা ৰাখিব লাগিব । মোবাইল গেম খেলাৰ বাবে সীমিত সময় নিৰ্ধাৰণ কৰিব লাগিব, যেনে- প্ৰতিদিনে ৩০ মিনিটৰ অধিক হ'ব নোৱাৰিব । মোবাইল গেমৰ বিকল্প কাৰ্যকলাপৰ আয়োজন কৰিব লাগিব। শিক্ষাৰ্থীসকলক খেলাধুলা, ব্যায়াম আৰু অন্যান্য শাৰীৰিক কাৰ্যকলাপত অংশগ্ৰহণ কৰাব লাগিব। সংগীত, নাচ, নাটক আদি সৃজনশীল কাৰ্যকলাপত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰাব লাগিব। মোবাইল গেমৰ নিচাৰ বিপদৰ বিষয়ে শিক্ষাৰ্থী আৰু অভিভাৱকক সচেতন কৰাৰ বাবে শিক্ষানুষ্ঠানত প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু আলোচনা-চক্ৰ আয়োজন কৰি সচেতনতা আনিব লাগিব। বন্ধুৰ সৈতে বিনোদনমূলক কাৰ্যকলাপত অংশ-গ্ৰহণৰ সুযোগ দিব লাগিব। এই পদক্ষেপসমূহে শিক্ষাৰ্থীসকলৰ মোবাইল গেমৰ নিচাৰ সমস্যাৰ সমাধানত সহায় কৰিব পাৰে ।

**অণুগল্প**

# জোক

ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়

ভৰিৰ জোকাৰণিত এজনী ৰোৱনীৰ চকু পৰিলত জোকটো এৰুৱাই দিলে। তেজেৰে ৰঙা হৈ পৰিল ভৰিটো। তাই বেজাৰতে ওখ ঢাপটোৰ ফালে গতি কৰিল।

দপদপকৈ পানীৰ মাজত দৌৰি গৈ ৰোৱনীজাকৰ কাষ চাপিল। চিঞৰি চিঞৰি মুখৰ শব্দ কমি আহিছে। কি হৈছে সুধাত উত্তৰটো স্পষ্টভাৱে দিব পৰা নাই। ভয়ে বেৰি ধৰিছিল তাইক।


জনতাৰ চৰকাৰ
my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে
চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস
অন্ন সেৱা দিন
১-১০ জুলাই ২০২৪
সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত
বৰ্ধিত তাৰিখ
১৫ জুলাই
এই বিশেষ দিনকেইটাত
JANASANYOG- 537/ 24/14-July-24
ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত
প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে
৩৫ কি:গ্ৰা: চাউল
অন্ত্যোদয়া অন্ন যোজনা(AAY)ৰ
প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ
৫ কি:গ্ৰা: চাউল
অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল(PHH)ৰ
প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ
প্ৰদান কৰা হ'ব
মুঠ পৰিয়াল
৬৬,২৬,৪২১টা
মুঠ হিতাধিকাৰী
২,৩১,৪৯,৩৪১গৰাকী
গ্ৰাহকলৈ আমাৰ আহ্বান
এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক
এই বিশেষ দিনকেইটাত
সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়াকৈ
চাউল সংগ্ৰহ কৰক
সুলভ মূল্যৰ দোকানীৰ কৰণীয়
অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলক অৱগত কৰোৱা
অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা
কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে
১৮০০-৩৪৫-৩৬১১ | ১৯৬৭
টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# বসন্ত

**ৰীতা কোঁৱৰ, লাহোৱাল, ডিব্ৰুগড়**



সি হাতৰ টিপতে কাগজ এখন দিলে। ভয়ে ভয়ে বহুতপৰ হাতত লৈ থকাৰ পাছত খুলি চাই দেখোঁ - খালী কাগজ! আকৌ লগ পাওঁতে সুধিলোঁ, “নিলিখা কাগজ এখন দিলি যে?” সি অৰ্থপূৰ্ণভাৱে হাঁহি ক'লে, “লিখি লবি!”

# ঠিকনা

**নিৰ্জুনিশা দত্ত, নলবাৰী**



“ পলাই যাবিনে মোৰ লগত? জীৱনৰ নতুন ঠিকনা দিম..” ককায়েক বৌৱেকৰ হুতা মাতৰ আৰত তাইৰ চকুত নতুন সপোনে অগা-দেৱা কৰে ...নিজৰ বুলিবলৈ এটি নতুন ঠিকনা। নতুন ঠিকনা ঠিকেই পাইছিল তাই.... সোনাগাছিৰ আন্ধাৰ কুঠৰীত...!

# বৰষুণ

**মধুস্মিতা শৰ্মা, সোণাপুৰ**



বৰষুণচাটিয়ে বাটৰুৱাজনক এটি সুবৰ্ণ সুযোগ দিলে। মোৰ শুকান নৈখনতো আবতৰীয়া ঢৌ এটাই উকমুকাই উঠিল। মই কলঙ্ক এটিক বুকুত আশ্ৰয় দি সম্পূৰ্ণ হ'লো একো নভৱাকৈয়ে।

# বন্ধন



**ড° অনুপম কলিতা, জ্ঞানপীঠ ডিগ্ৰী কলেজ, নিকাছি, বাক্সা**

তাইৰ বিয়াৰ দিনা সুধিছিল “কিমান খিনি অধিকাৰ আছে মোৰ?” বহু সময় নীৰৱে থাকি সি আশ্বাস দিছিল “দেখা দেখি হ'লেই সাবটি ধৰিবি বেঙি।” ৰাইজৰ আগত তাৰ মৃতদেহটো শেষ বাৰৰ বাবে তাই জোৰকৈ সাবটি ধৰিলে।

## অণুগল্প

# মুক্তি



**সুশীল গগৈ, নকছাৰি, যোৰহাট**

বাৰে বাৰে বিফল হোৱা মনালিছা অৱশেষত সাত বছৰৰ মূৰত মাক হ'ল। এতিয়াৰ পৰা স্বামী অনিৰ্বাণ আৰু শাহুয়েক মন্দাকিনীয়ে চলোৱা একথ্য যন্ত্ৰণাৰ পৰা তাই মুক্ত হল। ডাঃ অৰুণাভে অনিৰ্বাণৰ হাতত সন্তানটি তুলি দি ক'লে- এজনকহে বচাব পাৰিলোঁ।

# ৰক্ষক

**নীলাঞ্জনা দেৱী বৰুৱা,যোৰহাট**

পিঠাগুড়িখিনি তোৰ নিচিনাকৈ ভালকৈ লেপি দে আকৌ মোৰ মুখতো দাদা। দহ বছৰীয়া মলয় আৰু আঠ বছৰীয়া মৰমীহতঁৰ ঘৰৰ সন্মুখত নিশা আজিকালি ভূত পোৱালি দুটা ঘূৰি ফুৰে ।কথাটো গাঁওখনত ৰাষ্ট্ৰ হৈ পৰিছে ।

দেউতাকবিহীন ঘৰখনত গাভৰু মাকজনীক দুঠেঙীয়া কুকুৰনেচিয়াবোৰৰ পৰা ৰক্ষা কৰিবলৈ ল'ৰা ছোৱালীহালে এইটো বুদ্ধিকে ভাবি উলিয়াইছে ।

# লালসা

**স্নেহা জোনাক দত্ত, যোৰহাট**

দেউতাকৰ অবৰ্তমানত অম্লানৰ ডাঙৰ দাদাকে ভাতৃসকলৰ লগত সম্পৰ্ক ছেদ কৰিলে। আজলী মাতৃগৰাকীকো তেওঁলোকৰ মৰমৰ পৰা বঞ্চিত কৰিলে। পৈত্ৰিক সম্পত্তিৰ দাবীদাৰ হৈ? ভাতৃসকল যাতে পিতৃৰ গৃহলৈ আহিব নোৱাৰে, সেই ব্যৱস্থাৰে, প্ৰধান গেটখনত দিনে-ৰাতিয়ে তলা লগাই থলে। দেউতাকৰ বিশাল সম্পত্তিৰ তেওঁৱেঁই একমাত্ৰ অংশীদাৰ হ'বলৈ নিজৰ মাতৃক মৃত্যু পৰ্যন্ত গৃহবন্দী কৰি ৰাখিলে।

# নীৰৱ ঘাটক

**শশী মাই গগৈ, চেউজী নগৰ, নাজিৰা**



এজনী সাত বছৰীয়া দ্বিতীয় শ্ৰেণীত পঢ়া মৰম লগা ছোৱালী ।শ্ৰেণীত উপস্থিতি নিয়মীয়া নহয় ।কিন্তু তাইৰ পঢ়াৰ প্ৰতি অদম্য হেঁপাহ ।অৱশ্যে শ্ৰেণীত উপস্থিত থকাৰ দিনা তাই পিছ পৰি যোৱা পাঠবোৰ শিক্ষকৰ পৰা মনোযোগেৰে শিকি বহীত লিখিবলৈ যত্ন কৰিলেও তাইৰ দেহত কুৰুকি কুৰুকি পিড়ী থকা ঘাটকটোৱে যেন তাই হাত খনক লিখাত বাধা দিয়ে। এৰা ধৰাকৈ শ্ৰেণীলৈ অহা ছোৱালী জনী আজি কিছুদিনৰ পৰা একেবাৰে নহা হ'ল ।

# যাত্ৰা

**ৰিজু শইকীয়া বৰদলৈ, গোলাঘাট**

নিৰৱধি, সৰি আছে টুপটুপকৈ বৰষুণৰ টোপালবোৰ !বাসৰৰ মূৰত সন্দেহৰ পাকঘূৰণি- সময়ৰ পকনীয়াত ক্ষত-বিক্ষত হ'ব যেন, তাৰ দুঃখৰ হুমুনিয়াহ !! তাৰ দুচকুৱে বিচাৰি ফুৰিছে, খামুচি ধৰিব পৰা এটুকুৰা মাটি, হিয়াত তাৰ সেউজ সংকেত! কিন্তু, ক'ত লুকুৱাই থ'ব তাৰ শুকান গা !!

# খবৰ

**অজন্তা তামুলী ফুকন, লংকা, হোজাই**

দুপৰীয়া বিদ্যালয়ৰ জিৰণি সময়ত লতাই টিফিনটো খুলি খাবলৈ লৈছিলহে তেতিয়াই সহকৰ্মী বৰাই ক'লে “পৰহি তুমি গৈছিলা নে আমাৰ ভাইটিয়ে সখীয়নীয়েকৰ খবৰটো পাই লগে লগে গৈ কাম শেষ কৰিহে আহিছে”। তাই থৰ লাগিল অনাকাংক্ষিত খবৰটো পাই আৰু লগে লগে বায়েকলৈ ফোন লগালে জায়েকৰ খবৰটো ল'বলৈ। বায়েকে আজি দুদিনে তিনি বাৰকৈ ফোন কৰিছিল, লতাই ৰিচিভ কৰে কিন্তু ঘৰত নেটৱৰ্কৰ সমস্যা বাবে কথাবোৰ নুশুনে।

# হাঁহি

**কবিতা চৌধুৰী, নলবাৰী**



“আজিৰ পৰা হোমৰ জুইক সাক্ষী কৰি আমি দুয়োৱে একেলগে সুখে-দুখে থাকিবলৈ পন কৰিলো “-পুৰোহিতে মন্ত্ৰ উচ্চাৰণৰ লগতে দৰা-কইনাক অসমীয়াতে কৰ দিয়া কথাষাৰ শুনি যোৱা চাৰি বছৰে অনুপৰ লগত লিভ ইনত থকা কৃষ্ণাই আমোদ পাই ওৰণিৰ তলতে হাঁহিব ধৰিলে।

# ৰাগী

**তৰালী ঘৰফলীয়া বাধাকৰা মধ্য ইংৰাজী বিদ্যালয়**

বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ফটোসহ প্ৰকাশ পোৱা তাৰ কৰ্মৰাজিৰ নমুনা দেখি উচুপি উঠিল তেওঁ -“সৰুৰেপৰা তোক মই এই শিক্ষা দিছিলোঁ জানো বোপাই? টেবুলৰ তলেৰে হাতখন নিওঁতে মই বহি অহা টেবুলখনলৈ তোৰ এবাৰো মনত নপৰিল নে?”

সৰুৰেপৰা একো ৰাগীয়াল বস্তু মুখত নিদিয়া ল'ৰাটোৰ মনত আচলটো ৰাগীয়েই লাগিব বুলি তেওঁ ভবাই নাছিল।

**অণুগল্পৰ পৃষ্ঠাটো আগবঢ়ালে- কবি, লেখিকা, সাংবাদিক মৃদুস্মিতা শৰ্মাই**

# কোন দিশে আমাৰ মাতৃভাষা?

**হিমাশ্ৰী গোস্বামী**




অসমীয়া ভাষা নজনাটো গৌৰৱ আৰু ইংৰাজী ভাষা নজনাটো লাজ!

হয়, ইংৰাজী ভাষা জানিব লাগে, প্ৰতিটো ভাষাক আমি সন্মান কৰিব ও লাগে! কিন্তু নিজৰ মাতৃভাষাৰ শ্ৰাদ্ধ পাতি বেলেগ ভাষা এটাক ইমান বেছি প্ৰাধান্য দি কিয় আমি নিজকে অসমীয়া বুলি ক'ব লাজ নকৰোঁ? মোৰ লৰাটোৱে অসমীয়া ক'ব নাজানে bah ইমান smart অসমীয়া নাজানেই কিন্তু ইংৰাজী কেনেকুৱা ধুনীয়া কয় bah বহুত smart দেই!!

হুম্ অসমৰ বাহিৰত নিজৰ ভাষা নজনাটো লাজৰ কথা আৰু আমাৰ অসমত নিজৰ ভাষা নজনাটো গৌৰৱৰ কথা। কিয় মানুহে নিজকে বহুত বেছি কিবা এটা বুলি ভাবিব লৈছে। বহুত অভিভাৱক চকুৰ আগত দেখিছোঁ লৰা/ছোৱালী ৰ অসমীয়া বিষয়ৰ পৰীক্ষা থাকিলে চিন্তা কৰে, আৰু বেলেগৰ আগত কয় অসমীয়া নাজানে যে সেইবাবে চিন্তা !! এই যে আপুনি কথাষাৰ কলে সেইদিনায়ে আপুনি অসমীয়া হোৱাৰ সক্ষমতা হেৰুৱায় পেলালে। সন্তানক অসমীয়া শিকোৱাৰ দায়িত্ব কি আপোনাৰ নাই ? English medium ত লৰা ছোৱালীক পঢ়াওক, এইটোও সঁচা যে আজিৰ যুগত ইংৰাজী নাজানিলে নহব। ইংৰাজী ত top হওঁক, কথাৰ মাজত so what ও কওঁক English ত caption ও দিয়ক, কিন্তু অসমীয়া নাজানো বুলি গৌৰৱ কৰি ভাষাটোৰ হত্যা নকৰিব!! বেলেগ দেশৰ ভাষা এটা ধুনীয়া কৈ জনাটো এটা talent কিন্তু নিজৰ মাতৃভাষা নজনাটো কিন্তু এটা talent হ'ব নোৱাৰে!! আৰু যিসকলে অসমীয়া নজনাটোক talent আৰু smart ৰ নাম দিছে সেইসকলৰ সমান মূৰ্খ আৰু নাই!!

অসমীয়া ভাষা নজনাটো লৈ গৌৰৱ কৰাতকৈ আপোনাৰ লৰা/ছোৱালীয়ে দুইটা ভাষা বহুত ধুনীয়া কৈ জানে বুলি গৌৰৱ কৰক! সন্তানক অসমীয়া ভাল পাব শিকাওঁক বিহু দিনা Happy bihu কোৱাৰ লগে লগে যেতিয়া আপোনাৰ সন্তানে কব যে Happy bihu নহয়, 'বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ', সেইদিনা আপোনাৰ সন্তান কোন মাধ্যম প্ৰশ্ন নাহে মাথোঁ এটাই ক'ব ভাষাৰ সন্মান আৰু অসমীয়াৰ তেজ আমাৰ প্ৰানত আছে!! কৰবাত পৰি পেলাই যেতিয়া আমি কষ্ট পাওঁ তেতিয়া oh god কিন্তু আমাৰ মুখত প্ৰথমে নাহে, প্ৰথম আহিব অ' মা / অ' ভগৱান !! "আমাৰ প্ৰথম পৰিচয় অসমীয়া" অসমীয়া একেবাৰে নজনাটোক লৈ গৌৰৱ কৰাতকৈ লাজ কৰিব শিকক !! আৰু A for Apple, B for ball শিকোৱাৰ আগত 'অ' মানে অমিতা, 'আ' মানে আম শিকাওঁক!!

সন্মান নাযায় দিয়ক আপোনাৰ সন্তানক অসমীয়া স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ খনৰ সৈতে পৰিচয় কৰাই দিলে! অসমীয়া ভাষাটোক ভাল পাব শিকাওঁক, আপোন কৰি ল'ব শিকাওঁক !!

যাতে অনাদি অন্তন্তলৈ বৈ যাওক অসমীয়া ভাষাৰ প্ৰতি প্ৰত্যেকজন অসমীয়াৰ মনত থকা আৱেগ আৰু ভালপোৱা খিনি।

## লিমাৰিক

১
বেজবৰুৱা ডেকা জন কিছু জমনি
হাঁহি থাকোঁ লেখা পঢ়ি নালাগে আমনি
লিখে প্ৰেমৰ কবিতা
শব্দৰ আছে মালিতা
প্ৰেমৰ কবিতা পঢ়ি ফিডা হেনো পত্নী।

২
আৰতী বাৰ বাইকত উঠি গৈছিলোঁ
পিছফালে বহি চেনী খাই গৈ আছিলোঁ
বাইক ৰখাই দিলে
নিজে পিছত বহিলে
চেনী খাব ধৰে মই বাইক উৰালোঁ।

৩
চালোয়েই যেনিবা মই নাৰী সুন্দৰী
ধুনীয়া দেখিলে নোচোৱাকৈ জানো পাৰি
তুমি কিয় জ্বলি মৰা
তুমিও চাবানা ল'ৰা
ধুনীয়া গোলাপ কিয়নো চাব নোৱাৰি?

**সীতা দেৱী সিংহ, বঙাইগাঁও**

১
আহাৰ মাহৰ বানে জুৰুলা কৰিলে
ঘৰ দুৱাৰ সকলো উটুৱাই নিলে
হাহাঁকাৰ বানাক্ৰান্ত
মন হয় যে অশান্ত
প্ৰকৃতিয়ে ৰুদ্ৰ ৰূপ দেখুৱাই দিলে।

২
কৃত্ৰিম বানত যে ডিব্ৰুগড় চহৰ
এইখনেই যে আমাৰ মহানগৰ
কেওফালে পানী পানী
এৰিলে বান্ধৰ পানী
লাগি গ'ল উত্তৰপাৰত হাহাঁকাৰ।

**জয়া শৰ্মা, ডিব্ৰুগড়**

**বীনা গোস্বামী, শিৱসাগৰ আমোলাপট্টি**

১
বাৰিষা হ'লে বোকা পানীৰে ভৰপূৰ
পানী পায়গৈ ঘৰৰ মূধচৰ মূৰ
বয় বস্তু উটি যায়
হাহাকাৰ লাগি যায
মানুহে উপায় নাপায় চলায় ভুৰ।

২
বজাৰত বস্তুৰ যি জুই ছাই দাম
কি ল'ম কি খাম ভাৱিয়েই ৰাম ৰাম
তথাপিও আনো কিনি
চাউল দাইল চেনি
এনেকৈ কিমান দিন খাব পাৰোঁ চাম ।
ধন্যবাদ।

১
মেঘৰ গিৰ্জনী বৰ্ষাৰ আগজাননী
বসন্ত ঋতুত কুলি চৰাই বিননী
ব'হাগ মাহ আহিল
কেতেকী ফুল ফুলিল
ঢোল পেপাৰ মাতে কপাইছে ধৰণী!!

২
বহাগতে ধৰণী জীপাল হৈ উঠিল
কঠালৰ মুচি গছৰ ঠাল ভৰিল
তাঁতশালৰ গামোচা
শিপিনীয়ে বুটাবছা
বিশ্ব দৰবাৰত গামোচা জিলিকিল!!

**আৰতি ডেকা,হেঙেৰাবাৰী**

খাল বিলত পানীৰে উপচি পৰিছে
বৰশীটোকে লৈ গৃহস্থ ওলাই গৈছে
বাঁহৰ তলত বাব
শলমাছে ভাত খাব
মুৰকত জানিলোঁ জুৱাত বহি আছে।
জুৱাত হাৰি বপুৰাই ঘৰ পালেহি
ভাত হোৱাই নাই বুলি দম দিলেহি
বুদ্ধি এটা সাজি ল'লো
জ্বৰ উঠা বেশ দিলোঁ
এই হেন গৰমতো লেপ লৈ শুলোহি ।

**মীনা হাজৰিকা,যোৰহাট**

১
বাৰিষা বৰষুণ নেৰানেপেৰা হ'ল
সূৰ্য দেৱতাই যে ৰ'দ নিদিয়া হ'ল
জান জুৰি ভৰি গ'ল
নৈ বিল উপচি বল
সেই বৰষুণতে বানপানী হৈ গ'ল ।

২
বানপানী য়ে বহুত ধ্বংস কৰিছে
জীৱ জন্তু বোৰৰ বিলৈ নোহোৱা হৈছে
পশু-পক্ষীও মৰিছে
গছ গছনি ভাগিছে
মানুহৰ যে দুৰ্দশা দুগুণে বাঢ়িছে।

৩
বতৰৰ ফলমূল বতৰত খাবা
খৰালিৰ ফলমূল যে কিনোতে চাবা
আম কঁঠাল যে জাম
পেট ভৰাই যে খাম
বাৰিষাত ফল খলে গাত বল পাবা।

**টুটু মনি বৰা চুতীয়া,**
**বিশ্বনাথ চাৰিআলি**

# আলু-পিঁয়াজসহ শাক-পাচলি

পৰিসংখ্যা-কৰ্মসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্যালয়ে প্ৰকাশ কৰা এই তথ্যই। মুদ্ৰাস্ফীতি তথা দাম বৃদ্ধিয়ে দেশৰ অৰ্থনীতিতো বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত বুলি ক'ব পাৰি। কিয়নো, দাম বৃদ্ধিৰ উৰ্দ্ধমূখী হাৰৰ ফলত ভাৰতীয় ৰিজাৰ্ভ বেংকে সুদৰ হাৰ হ্ৰাস কৰাৰ সম্ভাৱনাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এই সম্পৰ্কত একাংশ অৰ্থনীতিবিদে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা প্ৰতিক্ৰিয়া এনেধৰণৰ খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি আটাইতকৈ বেছি চিন্তাৰ কাৰক। তাপপ্ৰৱাহৰ ফলত খেতিপথাৰ বিনষ্ট হোৱাত বজাৰত যোগান হ্ৰাস পাইছে। তাৰ পৰিণতিতে দাম বৃদ্ধি। দাম বৃদ্ধিৰ হাৰ হ্ৰাস কৰিব নোৱাৰিলে কোনেও স্বস্তি নাপাব। সামগ্ৰিকভাবে বৰ্তমান যি পৰিস্থিতিৰ উদ্ভৱ হৈছে তাৰ পৰাই অনুমান কৰিব পাৰি যে ভাৰতীয় ৰিজাৰ্ভ বেংকে সুদৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত হয়তো আৰু কিছু সময় ল'ব। উল্লেখ্য যে চলিত বৰ্ষত হোৱা অভাৱনীয় তাপপ্ৰৱাহৰ বিৰূপ প্ৰভাৱৰ পৰিণতিত বজাৰত খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি হোৱাৰ পূৰ্বে আশংকা কৰা হৈছিল। বাস্তৱত সেইটোৱেই হোৱাত এতিয়া জনসাধাৰণে প্ৰমাদ গণিবলগীয়া হৈছে। চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই এনেদৰে বজাৰৰ দাম বৃদ্ধিৰ জুইকুৰা নিৰ্বাপণ কৰি কেনেদৰে জনসাধাৰণক সকাহ দিব, সেয়া লক্ষণীয় হ'ব। ইফালে, বজাৰৰ দাম বৃদ্ধিৰ মাধমাৰৰ মাজতে কিছু স্বস্তিৰ কাৰণ হৈছে দেশৰ ঔদ্যোগিক উৎপাদন। এই সম্পৰ্কীয় কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি যোৱা মে' মাহত ঔদ্যোগিক উৎপাদনৰ বৃদ্ধিৰ হাৰ হৈছে ৫.৯ শতাংশ। যিটো সাত মাহৰ ভিতৰত সৰ্বোচ্চ। মূলতঃ বিদ্যুৎ আৰু খনন ক্ষেত্ৰত উৎপাদন বৃদ্ধিয়েই ইয়াৰ কাৰণ।

# সাত ৰাজ্যৰ ১৩ বিধানসভা

উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল। সংবাদ প্ৰতিষ্ঠানৰ বাতৰি অনুসৰি পঞ্জাবৰ শাসকীয় আপৰ প্ৰাৰ্থী মহিন্দাৰ ভগতে জলন্ধৰ পশ্চিম বিধানসভা সমষ্টিত জয়লাভ কৰিছে। তামিলনাডুতো শাসকীয় ডিএমকেৰ আন্নিউৰ ছিবাই জয়ী হৈছে বিক্ৰাবন্দি বিধানসভা সমষ্টিত। উপ-নিৰ্বাচন অনুষ্ঠিত পশ্চিমবংগৰ চাৰিওটা সমষ্টি নিজৰ দখললৈ নিবলৈ সক্ষম হয় মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে। দলটোৰ প্ৰাৰ্থী কৃষ্ণা কল্যাণীয়ে ৰায়গঞ্জ বিধানসভা সমষ্টিত বিজেপিৰ মানস কুমাৰ ঘোষ, মুকুট নমি অধিকাৰীয়ে ৰাণাঘাট দক্ষিণ বিধানসভা সমষ্টিত বিজেপিৰ মনোজ কুমাৰ বিশ্বাস, মধুপৰ্ণ ঠাকুৰে বাগদা বিধানসভা সমষ্টিত বিজেপিৰ বিনয় কুমাৰ বিশ্বাস আৰু সুপতি পাণ্ডেয়ে মাণিকতলাত বিজেপিৰ কল্যাণ চুবেক পৰাস্ত কৰে। সেইদৰে হিমাচল প্ৰদেশত মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুৰ পত্নী তথা কংগ্ৰেছ প্ৰাৰ্থী কমলেশ ঠাকুৰে ডেহৰা বিধানসভা সমষ্টিত বিজেপিৰ হোশিয়াৰ সিঙক পৰাস্ত কৰি বিজয়ী হৈছে। নলাগড় বিধানসভা সমষ্টিত বিজেপিৰ কে এল ঠাকুৰক পৰাজিত কৰিবলৈ সক্ষম হয় কংগ্ৰেছ প্ৰাৰ্থী হৰদীপ সিং বাৱাই। উপ- নিৰ্বাচন অনুষ্ঠিত ৰাজ্যখনৰ আনটো সমষ্টি হামিৰপুৰত জয়ী হৈছে বিজেপি। দলটোৰ প্ৰাৰ্থী আশিস শৰ্মাই কংগ্ৰেছৰ পুষ্পিন্দৰ বাৰ্মাক পৰাজিত কৰে। উত্তৰাখণ্ডৰ বদ্ৰীনাথ আৰু মংগলপুৰ বিধানসভা সমষ্টিত বিজয়ী হৈছে কংগ্ৰেছ প্ৰাৰ্থী ক্ৰমে লাখপাট সিং বুটোলা আৰু কাজি মহম্মদ নিজামুদ্দিনে। মধ্যপ্ৰদেশৰ অমৰৱাড়া বিধানসভা সমষ্টিত বিজেপিৰ কমলেশ প্ৰতাপ শ্বাহ জয়ী হৈছে। বিহাৰৰ ৰূপাউলিত জয়ী হোৱা নিৰ্দলীয় প্ৰাৰ্থীজন হ'ল শংকৰ সিং।

# আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড

নিয়াৰ যো- জা কৰে। নৱেম্বৰ মাহত হ'বলগীয়া নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ পূৰ্বে ৰাষ্ট্ৰখনত ৰাজনৈতিক অস্থিৰতাৰ উমান পোৱা গৈছে। ৰাষ্ট্ৰপতিগৰাকীৰ ওপৰত চলা এই আক্ৰমণে পৰিস্থিতি আৰু অধিক উদ্বেগজনক কৰি তুলিছে। সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতি ট্ৰাম্পলৈ উদ্দেশ্য কৰি গুলী চলোৱা দুৰ্বৃত্তটোৰ ইতিমধ্যে মৃত্যু হৈছে। লগতে এজন পথচাৰীৰো মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। বাটলাৰ কাউন্টিৰ জিলা এটৰ্নী ৰিচাৰ্ড গোল্ডিংগাৰে কয় যে গুলীচালনা কৰাজনকে ধৰি দুজন লোকৰ মৃত্যু হৈছে। ৰাষ্ট্ৰপতি জো বাইডেনে প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পলৈ গুলীচালনাৰ ঘটনাক গৰিহণা দিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামায়ো এই আক্ৰমণক গৰিহণা দিয়ে। এক্স হেণ্ডেলত দিয়া পোষ্টটোত তেওঁ কয় যে আমাৰ গণতন্ত্ৰত কোনো ৰাজনৈতিক হিংসাৰ স্থান একেবাৰেই নাই।

# প্ৰতি বছৰে ২৫ জুনত সংবিধান

জনসাধাৰণৰ ভাৰতৰ সংবিধান আৰু ভাৰতৰ স্থিতিস্থাপক গণতন্ত্ৰৰ শক্তিৰ ওপৰত স্থায়ী বিশ্বাস আছে; সেয়েহে, জৰুৰীকালীন অৱস্থাত ক্ষমতাৰ ব্যাপক অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়া আৰু পীড়িত সকলোকে শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আৰু ভৱিষ্যতে ভাৰতৰ জনসাধাৰণক এনেধৰণৰ ক্ষমতাৰ অপব্যৱহাৰক সমৰ্থন নকৰিবলৈ পুনৰ প্ৰতিশ্ৰুতি দিবলৈ ভাৰত চৰকাৰে ২৫ জুনক 'সংবিধান হত্যা দিৱস' হিচাপে ঘোষণা কৰে"। এই সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমত এক পোষ্টযোগে কয় -১৯৭৫ চনৰ ২৫ জুনত তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে স্বৈৰাচাৰী মানসিকতাৰ নিৰ্লজ্জ প্ৰদৰ্শন কৰি দেশৰ ওপৰত জৰুৰীকালীন অৱস্থা জাপি দি গণতন্ত্ৰৰ আত্মাক শ্বাসৰুদ্ধ কৰিছিল। লাখ লাখ লোকক বিনা দোষত কাৰাগাৰত বন্দী কৰিছিল আৰু সংবাদ মাধ্যমৰ কণ্ঠৰোধ কৰিছিল। ভাৰত চৰকাৰে প্ৰতি বছৰে ২৫ জুনৰ দিনটোক সংবিধান হত্যা দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই দিনটোত ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাৰ অমানৱীয় বেদনা সহ্য কৰা সকলো লোকৰ অৱদানক ব্যাপকভাৱে স্মৰণ কৰা হ'ব।

# চেম্পিয়নছ ট্ৰফীৰ বাবে পাকিস্তান

পৰিগণিত হয়। তাৰ পিচৰ পৰা দুয়োখন দেশ কেৱল আইচিচি টুৰ্ণামেণ্ট আৰু এছিয়া কাপতহে মুখামুখি হৈছে। দুয়োখন দেশৰ সম্পৰ্কৰ বাবে আগন্তুক প্ৰতিযোগিতাত ভাৰতৰ অংশগ্ৰহণক লৈ অনিশ্চয়তাৰ সৃষ্টি হৈছে। পাকিস্তান ক্ৰিকেট ব'ৰ্ডে ভাৰতক তেওঁলোকৰ সকলো খেল এখন চহৰতে খেলাৰ প্ৰস্তাৱ দিছিল। ভাৰতে তেওঁলোকৰ সকলো মেচ খেলিব পৰা স্থান হিচাপে লাহোৰক নিৰ্বাচিত কৰা হৈছে। অৱশ্যে পাকিস্তানলৈ যোৱাৰ সম্ভাৱনাক লৈ ভাৰতীয় ক্ৰিকেট ব'ৰ্ড আগ্ৰহী নহয়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে উক্ত প্ৰতিযোগিতাখনত ৮টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখনৰ আটাইবোৰ মেচ লাহোৰ, ৰাৱালপিণ্ডি আৰু কৰাচীত অনুষ্ঠিত হ'ব যদিও এতিয়া এই বিষয়টোৱে চৰ্চা লাভ কৰিছে। কিয়নো পূৰ্বেই পাকিস্তানৰ এই তথন চহৰত চেম্পিনয়ছ ট্ৰফীৰ মেচসমূহ আয়োজন কৰা হ'ব বুলি ৰাজহুৱা কৰা হৈছিল। সেই অনুসৰি ১ মাৰ্চৰ দিনা লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত ভাৰত আৰু পাকিস্তানৰ মেচ অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও শেহতীয়াকৈ এই বিষয়টোৱে আউল লগাইছে আয়োজক পাকিস্তানক।

# বানপানী বছৰে বছৰে

অৱস্থিত তিব্বত মালভূমিৰ মানস সৰোবৰ হ্ৰদ ব্ৰহ্মপুত্ৰৰ উৎপত্তি স্থল। প্ৰাচীন কালৰে পৰাই যাতায়ত আৰু ব্যৱসায়-বাণিজ্যত ব্ৰহ্মপুত্ৰৰ অৱদান অনস্বীকাৰ্য্য।

অসমৰ প্ৰাণকেন্দ্ৰ ব্ৰহ্মপুত্ৰৰ লগতে বৰাক আৰু বিভিন্ন নদী উপনদী সমূহে যেতিয়া কালৰূপ ধাৰণ কৰে, একমাত্ৰ ভুক্তভোগীয়েহে তাৰ আচল স্বৰূপ গম পায়। বিভিন্ন প্ৰাকৃতিকেই হওঁক বা মানবসৃষ্ট কাৰণেই হওঁক বছৰ বছৰ ধৰি বৰাক, ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে অসমক জুৰুলা কৰি আহিছে।

মৌচুমী বায়ুৰ প্ৰভাৱতে অসমত বৰষুণ হয়। মানুহে যেতিয়াৰে পৰা পাহাৰ-পৰ্বত, গছ-গছনি, হাবি-জংঘল কাটি প্ৰকৃতিৰ ওপৰত বিভিন্ন ধৰণৰ নিৰ্দয় অত্যাচাৰ আৰম্ভ কৰিছে, প্ৰকৃতিয়েও নিজৰ চৰিত্ৰ সলনি কৰিবলৈ বাধ্য হৈছে। ফল ভুগিছে সাধাৰণ জনতাই। এতিয়া চাৰিওফালে বানপানীৰ বিভীষিকা। ক'ত জনৰ সপোনৰ ঘৰখন থান বান হৈ গ'ল, ক'ত মাতৃৰ বুকু উদং হ'ল, কিমানজনে অকালতে প্ৰাণ হেৰুৱালে, কিমান জীৱ-জন্তু নিঃচিহ্ন হৈ গ'ল হিচাপ ৰাখিছেনে কোনোবাই? ৰাখিবই বা কিয়? কিহৰ গৰজ পৰিছে? মইতো সুৰক্ষিত। মোৰ লগতে মোৰ ঘৰখনো সুৰক্ষিত। কি দৰকাৰ আনৰ দুখ দুৰ্দশাত মূৰ সুমুৱাবলৈ? কি দৰকাৰ আনৰ দুখৰ সমভাগী হ'বলৈ? এতিয়া কেৱল স্বাৰ্থ সিদ্ধিৰ যুগ। স্বাৰ্থ অবিহনে কোনেও কাকো খুদ কনো সহায় নকৰে, আগ্ৰহো নকৰে, কেও কিছুক বাদ দি, তাকো সেয়া এপাচি শাকত এটা জালুকৰ সমান।

প্ৰত্যেকটো নিৰ্বাচনৰ প্ৰাক ক্ষণত কথাৰ ফুলজাৰি মাৰি বিভিন্ন সমস্যা সমাধানৰ ভুৱা প্ৰতিশ্ৰুতিৰে সাধাৰণ ৰাইজক আভুৱা ভৰা বিভিন্ন নেতা পালিনেতা, দল সংগঠনৰ সোণৰ অসমখন তচনচ কৰা বানপানীৰ দৰে ভয়ংকৰ জ্বলন্ত সমস্যা এটা সমাধানৰ প্ৰকৃত আগ্ৰহৰ পুতৌজনক ভাবে অভাৱ। কিহৰ বাবে? অন্তৰ্নিহীত ৰহস্য? ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ খনৰ প্ৰাণঘাটি বানপানীৰ দৰে জ্বলন্ত সমস্যা এটাৰ স্থায়ী সমাধানৰ সদিচ্ছা, অনিচ্ছাৰ আঁৰৰ ৰহস্য সহজেই অনুমেয়।

শত-সহস্ৰ জনৰ প্ৰাণ কাঢ়ি নিয়া বানপানীৰ স্থায়ী সমাধানে যে প্ৰত্যেকটো নিৰ্বাচনৰ ফলাফলত প্ৰত্যক্ষ অৰিহনা যোগাব পাৰে সেই চিন্তাই আমাৰ নেতা পালিনেতা সকলৰ মগজুত খুব সম্ভৱ এতিয়াও ক্ৰীয়া কৰা নাই। আমাৰ চাৰিওফালে বিভিন্ন ধৰণৰ বেংক অৱস্থিত। সকলোবোৰ বেংকৰ ভিতৰত সৰ্ববৃহৎ বেংকটোৱেই হ'ল ভোট বেংক। প্ৰলয়ংকাৰী প্ৰাণঘাটি বানপানীয়ে শত সহস্ৰ জনৰ প্ৰাণ কাঢ়ি নিয়াৰ ফলত ভোটবেংকত যে খহনীয়া আৰম্ভ হয় আৰু নিহত শত সহস্ৰজনৰ এটা এটা ভোটে একোটা নিৰ্বাচনৰ ফলাফলত কি প্ৰভাৱ পেলাব পাৰে, সেই চিন্তা বানপানী সমস্যা সমাধানৰ বাবে বৃহৎ বৃহৎ পুখুৰী খান্দিবলৈ কোৱা ৰাজনৈতিক দলৰ নেতা পালিনেতা সকলৰ মগজুৰে খুব সম্ভৱ এতিয়ালৈকে ঢুকি পোৱাগৈ নাই। সেই জংক পংক অংকটো যেতিয়া তেওঁলোকৰ মগজে ঢুকি পাবগৈ, তেতিয়াহে খুব সম্ভৱ বানপানীৰ দৰে জ্বলন্ত সমস্যা এটাৰ স্থায়ী সমাধান সম্ভৱ হ'ব বুলি শান্তনা লভাৰ গত্যন্তৰ নাই। নহয়নে বাৰু? যিদৰে বৰাক ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীক আজিৰ তাৰিখত ধৰি ৰখা অসম্ভৱ, ঠিক সেইদৰে তাৰ ভুক্তভোগী সকলৰ নীৰবে নিগৰা চকুলো ঢাকি ৰখা অসম্ভৱ।

# ডিব্ৰুগড়ত নৃশংস

দোকানৰ ভিতৰত সুমুৱাই দোকানৰ প্ৰবেশ দুৱাৰ বন্ধ কৰি দ্বীপজ্যোতি ৰাজবংশী নামৰ যুবকজনে আৰু কেইজনমান সতীৰ্থৰ লগত লগলাগি গণপ্ৰহাৰ কৰিছিল বুধবাৰে নিশা। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ নিচেই সমীপতে আছে চাহৰ বাগান। সেই বাগানৰ মাজতে আছে আলুবাৰী আৰু ইয়াত বসবাস কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকল। মাদক দ্ৰব্য সেৱন কৰি এজন যুবকৰ প্ৰাণ লোৱাৰ অভিযোগ উথাপন হোৱাত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলাৰ সমিতিৰ সাধাৰণ সম্পাদক বিতোপন দুৱৰাইবাৰম্বাৰ সংবাদৰ মাধ্যমৰ জৰিয়তে এই অবৈধ মদৰ বেপাৰ, চুলাই চলি থকাৰ কথা অৱগত কৰিছে যদিও। ডিব্ৰুগড় অসম চিকিৎসালয়ৰ মহাবিদ্যালয়ৰ আশেপাশে এক প্ৰকাৰ মদৰ ঘাটলৈ ৰূপান্তৰিত হৈছে এই ঘটনাই সকলো উদঙাই দিয়ে। অতি শীঘ্ৰে অঞ্চলটোৰ অবৈধ মদৰ দোকান বন্ধ কৰিবলৈ আহ্বান টম্লু সোনাৰ পত্নীৰ আৰু দল সংগঠনৰ লগতে আৰক্ষী প্ৰশাসনৰ টম্লু সোনাৰ হত্যা তদন্ত কৰি উচিত ন্যায় বিচাৰিলে আত্মীয়ই।

## ENGLISH NEWS SECTION

# Commissioner and Secretary to the Governor and other officials visit Gauhati University



Guwahati,RB News: A team of officials from the Office of the Governor cum Chancellor, Gauhati University led by Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram, and Secretary, Chancellor's Secretariat Kabita Deka, visited Gauhati University on the 9th and 10th of July, 2024 and took stock of its academic, research and administrative activities. The team on behalf of the Chancellor congratulated the Vice-Chancellor of the university Prof. P.J. Handique on achieving an A+ Grade in recent accreditation by NAAC. The team discussed with the Vice-Chancellor and key officials of the university about the processes and preparation for NAAC accreditation, NIRF ranking, initiatives undertaken to implement the National Education Policy 2020 and the journey of the university in the last few years.

# India beat Pakistan to win World Championship of Legends 2024



RB News: Yuvraj Singh-led India defeated Younis Khan-led Pakistan by five wickets in the final in Birmingham to win the World Championship of Legends 2024. Pakistan put up a total of 156/6 with Shoaib Malik top-scoring with 41(36). Anureet Singh took three wickets for India. India chased down the target in 19.1 overs, driven by Ambati Rayudu's 50(30) and Yusuf Pathan's 30(16).

# Assamese film 'The Last Honour' garners critical acclaim from critics and viewers from Himachal to London

Guwahati,RB News: Breaking through national boundaries, an Assamese film has now embarked on a worldwide journey. The full-length Assamese feature film titled 'The Last Honour', based on a true story written by noted writer Jitumoni Bora about an exceptional life during the time of the covid pandemic, which swept around the world, has recently been screened at the Himachal International Film Festival. Rosy Bora, who makes her directorial debut, has been conferred with the Best Director award for the film, which received rave reviews from the jury and the crowd at the Himachal International Film Festival. Produced by Mrinal Bin Qutub under the banner of Jeuti Production, 'The Last Honour' has been officially selected to over 15 national and international film festivals, winning a number of honours, including the best film award. Besides screening at the Dhaka International Film Festival, the film's producer Mrinal Bin Qutub, director Rosy Bora and scriptwriter Kushal Gogoi were also specially honoured by the festival committee. The film was viewed by over 250 spectators at the London Rainbow Film Festival. Most notably, Rosy Bora was conferred with the



Second Best Director award at an international festival in Turkey. The film was also screened in an international festival in Germany.

# Wanindu Hasaranga steps down as Sri Lanka's captain




RB News: Wanindu Hasaranga has resigned as Sri Lanka T20I captain ahead of India series. This comes after Sri Lanka crashed out of T20 IWorld Cup 2024 in the group stage. Hasaranga was appointed T20I captain last year and he led Sri Lanka in 10 T20I matches. Sri Lanka's T20I series against India will begin on July 26.

# Prakash Padukone to mentor Indian badminton squad at Paris 2024

RB News: Former world number one badminton player Prakash Padukone will reportedly be part of India's 15-member badminton contingent for Paris Olympics 2024 in the role of a mentor. "There are seven players and eight support staff. Pullela Gopichand, RMV Gurusaidutt, Agus Santosa, Vimal Kumar, and Mathias Boe will be the coaches traveling to Paris," said a source as quoted in the report.

# James Anderson ends 22-year international career with 991 wickets



RB News: The 21-year-long career of the legendary James Anderson has finally come to an end. England managed to complete their demolition job over the West Indies in the first Test at the iconic Lord's Cricket Ground which also was the final match of Anderson's long and arduous international career. England fast bowler James Anderson ended his 21-year international career with 991 wickets. The 41-year-old took four wickets in his farewell Test against West Indies at Lord's. He took 269 wickets in ODI cricket, 18 in T20 cricket and 704 in Test cricket. He played a total of 401 international matches.

# চতুৰ্থখন মেচত জিম্বাব'ৱেক ১০ উইকেট পৰাস্ত ভাৰতৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ঘৰুৱা দল জিম্বাব'ৱেৰ বিপক্ষে খেলি থকা পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাটোৰ হাৰাৰেত অনুষ্ঠিত চতুৰ্থখন মেচত শুভমন গিল বাহিনীয়ে ১০ উইকেটৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে আৰু ৩-১ ৰ অগ্ৰগতিৰে শৃংখলাটো হস্তগত কৰে টীম ইণ্ডিয়াই। মেচখনত ঘৰুৱা দলটোৱে জয়ৰ বাবে বান্ধি দিয়া ১৫৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰদ্বয় যশস্বী জয়ছোৱাল আৰু শুভমন গিলৰ অপৰাজিত অৰ্ধশতকৰ সহায়ত ভাৰতে ১৫.২ অভাৰত কোনো উইকেট নেহেৰুৱাকৈ জয়ৰ লক্ষ্যত উপনীত হয়। জয়ছোৱালে ৫৩টা বলত ১৩টা চাৰি আৰু ২টা ছয়েৰে অপৰাজিতভাৱে ৯৩ ৰান কৰাৰ লগতে অধিনায়ক গিলে ৫৮ ৰান কৰি অপৰাজিত হৈ থাকে। গিলৰ ৯টা বলৰ ইনিংছটোত আছিল ৬টা চাৰি আৰু ২টা ছয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি ভাৰতীয় বলাৰৰ সুনিয়ন্ত্ৰিত বলিঙৰ সন্মুখত জিম্বাব'ৱেই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫২ ৰান কৰে। দলটোৰ হৈ সৰ্বাধিক ৪৬ ৰান কৰে অধিনায়ক ছিকন্দৰ ৰাজাই। অ'পেনাৰ টাডিৱানাছে মুৱামানিয়ে ৩২ আৰু ৱেছলে মাধেভেৰেই ২৫ ৰানৰ অৰিহণা আগবঢ়ায়। ৱেছলে আৰু মুৱামানিয়ে প্ৰথম উইকেটত ৬৩ ৰান সংগ্ৰহ কৰি দলক প্ৰত্যয়জনক আৰম্ভণি দিছিল যদিও বাকীসকল বেটাৰে দীঘলীয়া ইনিংছ খেলিবলৈ সক্ষম নোহোৱাত দলটোৱে ভাৰতীয় দলৰ সন্মুখত বৃহৎ স্ক'ৰ থিয় কৰাব নোৱাৰিলে। ভাৰতীয় দলটোৰ হৈ খলিল



আহমেদে সৰ্বাধিক দুটা উইকেট লাভ কৰাৰ বিপৰীতে নৱাগত তুষাৰ দেশপাণ্ডে, ৱাশিংটন সুন্দৰ, অভিষেক শৰ্মা আৰু শিৱম ডুবেই এটাকৈ উইকেট লাভ কৰে। শৃংখলাটোৰ অন্তিমখন মেচ কাইলৈ অনুষ্ঠিত হ'ব।




ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286